অধ্যায় ১৩ ঃ মহেশ্বৰ নেওগ ঃ 'মায়ামৰীয়াৰ বুকুৰ শোণিতেৰে বনকোৱা বুৰঞ্জীৰ পাত'

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ মহেশ্বৰ নেওগ

১৩.৩.১ জীৱন আৰু ব্যক্তিত্ব

১৩.৩.২ মহেশ্বৰ নেওগৰ সাহিত্য সম্ভাৰ

১৩.৪ মূল পাঠৰ বিষয়বস্তু

১৩.৪.১ মায়ামৰীয়াসকলৰ পৰিচয়

১৩.৪.২ নামকৰণৰ তাৎপর্য

১৩.৪.৩ মৰাণ আৰু মটক

১৩.৪.৪ আহোম শাসন আৰু মায়ামৰীয়া নিগ্রহ

১৩.৪.৫ মায়ামৰীয়া বিদ্রোহ

১৩.৪.৬ মায়ামৰীয়া বিদ্রোহৰ পৰৱর্তী সময়

১৩.৪.৭ মায়ামৰীয়া বিদ্রোহৰ পৰা পোৱা শিকনি

১৩.৫ মহেশ্বৰ নেওগৰ গদ্যৰীতি

১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৭ অধিক জানিবলৈ

১৩.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৩.৯ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মহেশ্বৰ নেওগৰ অসামান্য পাণ্ডিত্য আৰু বিশাল সাহিত্য সম্ভাৰৰ বিষয়ে ধাৰণা লাভ কৰিব
- অসমৰ এটা গুৰুত্বপূর্ণ সম্প্রদায় মায়ামৰীয়াসকলৰ বুৰঞ্জীৰ বিষয়ে জানিব পাৰিব
- আহোম শাসকৰ একাংশৰ কার্যই কিদৰে দেশক শক্তিহীন কৰিছিল তাৰ লেখ পাব
- মহেশ্বৰ নেওগৰ গদ্যৰ মাজেৰে যিসমূহ ব্যক্তিগত বৈশিষ্ট্য প্রকাশিত হৈছে শব্দ, বাক্য আদিৰ সেই বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ দ্বিতীয় ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া গদ্য সাহিত্য'ৰ অন্তৰ্গত এইটো ত্ৰয়োদশ অধ্যায়। মায়ামৰীয়া প্ৰভুসকল, বাপুসকল আৰু শিষ্যসকল লগ লাগি ১৯৬৮ চনত চাবুৱাৰ হাটখোলা দেওধাই গাঁৱৰ চৰণীয়া পথাৰত মায়ামৰীয়া সম্প্ৰদায়ৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱৰ তিৰোভাৱ তিথি উদ্‌যাপন কৰিছিল। সেই সমাৰোহলৈ নিমন্ত্ৰণ কৰিছিল পণ্ডিত মহেশ্বৰ নেওগক। সেই সমাৰোহত দিয়া ভাষণটিয়েই হ'ল 'মায়ামৰীয়াৰ বুকুৰ শোণিতেৰে বনকোৱা বুৰঞ্জীৰ পাত' অধ্যায়টো। এই ভাষণটো মহেশ্বৰ নেওগ ৰচনাৱলীৰ তৃতীয় খণ্ডত 'বিশ্ববিদ্যালয়ৰ স্বপ্ন-ভ্ৰমণ-ভাষণ' পুথিত সন্নিৱিষ্ট হৈছে।

১৩.৩ মহেশ্বৰ নেওগ

১৩.৩.১ জীৱন আৰু ব্যক্তিত্ব

মহেশ্বৰ নেওগৰ জন্ম হৈছিল ১৯১৫ খ্ৰীষ্টাব্দৰ ৭ ছেপ্টেম্বৰ তাৰিখে শিৱসাগৰৰ কমাৰফদীয়া গাঁৱত। দেউতাক মাণিকচন্দ্ৰ নেওগ আৰু মাক চন্দ্ৰপ্ৰভা নেওগ। শিৱসাগৰ, যোৰহাট আৰু লখিমপুৰত তেওঁ স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল। চাৰিটা বিষয়ত ষ্টাৰ আৰু ডিষ্টিংশ্যন লৈ ১৯৩৪ চনত তেওঁ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত অনাৰ্ছ লৈ বি.এ. আৰু ১৯৪৭ চনত অসমীয়াত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ এম.এ. ডিগ্ৰী লাভ কৰে। পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটী বিশ্ববিদ্যলয়ৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত হয়। কিছুদিন স্কুলত শিক্ষকতা কৰাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত যোগদান কৰে। তেওঁ অসম সাহিত্য সভাৰ সভাপতি হোৱাৰ উপৰিও সভাই 'সদস্য মহীয়ান' সন্মানো দিছিল। ভাৰত চৰকাৰেও 'পদ্মশ্ৰী' বিভূষণেৰে সন্মানিত কৰিছিল। অসম চৰকাৰে 'শ্ৰীমন্ত শঙ্কৰদেৱ বঁটা' প্ৰদান কৰিছিল।গুৱাহাটী বিশ্ববিদ্যালয়ে দিছিল 'প্ৰফেছৰ এমেৰিটাছ' সন্মান।

পণ্ডিত নগেন শইকীয়াই নেওগৰ বহুমুখী অসাধাৰণ ব্যক্তিত্ব আৰু পাণ্ডিত্য সম্পৰ্কে কৈছে— "একো একোজন মানুহ কেতিয়াবা একোটি জাতীয় অনুষ্ঠানলৈ ৰূপান্তৰিত হয়। এই ৰূপান্তৰ ঘটে মানুহজনৰ চিন্তা, বৌদ্ধিক অৰ্হত্ব, সৃষ্টিশীল প্ৰতিভা আৰু ইবিলাক স্বাভাৱিকভাৱে অভিব্যক্ত হোৱা তেওঁৰ কাম আৰু ব্যক্তিত্বৰ মাজেদি। সমকালীন অসমত স্বকীয় প্ৰতিভা আৰু দক্ষতাৰে নিজৰ ব্যক্তিত্বক এটি অকাডেমিলৈ ৰূপান্তৰ ঘটোৱা মানুহজন ড° মহেশ্বৰ নেওগ।" তেওঁ আছিল প্ৰচুৰ 'তথ্য জিজ্ঞাসু' আৰু 'তথ্য-অন্বেষক'। জ্ঞান সাধনাই তেওঁৰ জীৱনৰ ব্ৰত।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছত তেওঁ পাটিয়ালাৰ পাঞ্জাৰী বিশ্ববিদ্যালয়ত 'শঙ্কৰদেৱ আসনৰ অধ্যাপক' হিচাপে যোগদান কৰে। ১৯৭৮

চনৰ পৰা ১৯৮২ চনলৈ সেই বিশ্ববিদ্যালয়ত থকা সময়তেই 'The Bhakti Ratnakar of Sankardeva and History of the Concept of Bhakti' গ্ৰন্থখন সম্পূৰ্ণ কৰি উলিয়ায়।

১৯৯৫ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখে তেওঁৰ মৃত্যু হয়।

১৩.৩.২ মহেশ্বৰ নেওগৰ সাহিত্য সম্ভাৰ

*বাঁহী*ৰ পাততে প্ৰথম তেওঁ সাহিত্য চৰ্চা আৰম্ভ কৰিছিল। পৰৱৰ্তী সময়ত ভাষা, সাহিত্য, সঙ্গীত, নৃত্য, স্থাপত্য, ভাস্কৰ্য, চিত্ৰ কলা, ধৰ্ম, দৰ্শন, বুৰঞ্জী আদি সকলো বিষয়কে তেওঁৰ গৱেষণা, অধ্যয়ন আৰু সাহিত্যই সামৰি লৈছিল। লোক-সাহিত্যৰ পৰা ধ্ৰুপদী সাহিত্য, আঞ্চলিক সাহিত্যৰ পৰা বিদেশী সাহিত্য, সমালোচনাৰ পৰা নাটক আৰু গল্প, পাঠ সমীক্ষাৰ পৰা শিশু সাহিত্য আদি সাহিত্য ক্ষেত্ৰৰ চাৰিওদিশে সীমা নোহোৱাকৈ অবিৰামভাৱে নেওগে বিচৰণ কৰিছিল। নেওগৰ বিশাল সাহিত্য সম্ভাৰৰ সংখ্যা এনে ধৰণৰ— ৩০খন মৌলিক গ্ৰন্থ, ৩খন কবিতা পুথি, এখন গল্প পুথি, আঠখন নাটক, প্ৰাচ্যবিদ্যা সম্মিলনৰ বাবে সম্পাদনা কৰা ছখন গ্ৰন্থ, ইংৰাজীত সঙ্কলন কৰা চাৰিখন গ্ৰন্থ, সম্পাদিত গ্ৰন্থ ৫০খন, ২০খনমান সভাপতিৰ অভিভাষণ, ইংৰাজী কবিতাৰ পুথি এখন, সম্পাদিত অভিধান চাৰিখন, অসমীয়ালৈ অনুবাদ কৰা গ্ৰন্থ এখন, আত্মজীৱনী, ইংৰাজী আৰু অসমীয়াত লিখা অনেক গৱেষণামূলক প্ৰবন্ধ ইত্যাদি।

শঙ্কৰদেৱ চৰ্চাৰ প্ৰতি তেওঁ বিশেষভাৱে আগ্ৰহী আছিল আৰু সত্ৰীয়া নৃত্য, বৰগীত, নাট আদিৰ বিষয়ে কেইবাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছে। যেনে— *Rhythm in The Vaishnava Music of Assam*, *Satriya Dances*, *Satriya Dances And Their Rhythm*, *Bhaona,the Ritual Play*, *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, ইত্যাদি।

শ্ৰীশ্ৰীমাধৱদেৱ, *পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি*, *অসমীয়া গীতি-সাহিত্য*, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, *আধুনিক অসমীয়া সাহিত্য*, *পাঠ-সমীক্ষা*, *অসমৰ ধৰ্মৰ বুৰঞ্জী ঃ আন্ধাৰ আৰু পোহৰ*, *লক্ষ্মীনাথ*, *ডাৱৰৰ সিপাৰে ধুনীয়া দেশ*, *জীৱনৰ দীঘ আৰু বাণি* আদি তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। নেওগৰ জীৱনৰ আগবয়সত ৰচনা কৰা কবিতা পুথি *ৰক্তকমল* আৰু পিছৰ বয়সত ৰচনা কৰা *মুছাফিৰখানা* আৰু *সঞ্চাৰিণী দীপশিখাৰ* মাজেৰে তেওঁৰ কবিপ্ৰাণৰ প্ৰকাশ ঘটিছে। তেওঁৰ কবি সত্তাৰ মাজত *ঐতিহ্য আৰু আধুনিকতা* দুয়োটাৰ সমাহাৰ ঘটিছে।

অসমীয়া ভাষাৰ পুথি সম্পাদনাত পোনপ্ৰথম তেৱেঁই বৈজ্ঞানিক পদ্ধতি ব্যৱহাৰ কৰে। পুৰণি পুথিৰ শুদ্ধ পাঠ নিৰ্ণয়ৰ বাবে অসমীয়াত নেওগেই পাঠ-সমীক্ষাৰ শুভাৰম্ভ কৰে। প্ৰচুৰ ইতিহাস চেতনা আৰু সুশৃঙ্খলিত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অধিকাৰী আছিল

নেওগ। পুথি সম্পাদনাৰ পৰা ধৰি যিকোনো সৰু-ডাঙৰ বিষয়ৰ বিশ্লেষণত এই দৃষ্টিভঙ্গীয়ে ক্ৰিয়া কৰিছিল। তেওঁৰ সম্পাদিত গ্ৰন্থসমূহ হ'ল—

পুৰণি পুথি— *হৰিবৰ বিপ্ৰৰ লৰ-কুশৰ যুদ্ধ, বভ্ৰুবাহনৰ যুদ্ধ, তাম্ৰধ্বজৰ যুদ্ধ, শঙ্কৰদেৱৰ ভক্তিপ্ৰদীপ, কীৰ্ত্তন ঘোষা, মাধৱদেৱৰ নামঘোষা, গুৰু-চৰিত কথা, বৰদোৱা গুৰু-চৰিত, পীতাম্বৰ কবিৰ ঊষা পৰিণয়, ভট্টদেৱৰ শ্ৰীভাগৱত কথা, ভক্তি-গীত সঙ্কলন, শুভঙ্কৰৰ শ্ৰীহস্ত মুক্তাৱলী, দুৰ্গাবৰৰ গীতি-ৰামায়ণ,* ইত্যাদি।

আধুনিক সাহিত্য— *লক্ষ্মীনাথ বেজবৰুৱা, অৰুণোদই ধলফাট, অৰুনোদই, পত্ৰলেখা, চিত্ৰলেখা, সঞ্চয়ন, দিনলেখা, বাণীকান্ত চয়নিকা, বাণীকান্ত ৰচনাৱলী, বেণুধৰ ৰাজখোৱাৰ অসমীয়া খণ্ডবাক্য কোষ, হিতেশ্বৰ বৰবৰুৱাৰ মালচ আৰু চকুলোঁ* ইত্যাদি।

সমাজ-সংস্কৃতিমূলক গ্ৰন্থ— *প্ৰাচ্য শাসনাৱলী, পৰিত্ৰ অসম, স্ৱৰৰেখাত বৰগীত* ইত্যাদি

বিভিন্ন দিশৰ, বিভিন্ন বিষয়ৰ চৰ্চা কৰা নেওগৰ অধ্যয়নসমূহ আছিল নিখুঁট। তেওঁৰ সকলোবোৰ অধ্যয়ন আৰু বিশ্লেষণ সম্পূৰ্ণ বিদ্যায়তনিক আৰু বস্তুনিষ্ঠ। নেওগৰ অধ্যয়নৰ প্ৰকৃতি সম্পৰ্কত নগেন শইকীয়াই কৈছে— "তেওঁৰ অধ্যয়নৰ সকলোবোৰ বিষয়েই প্ৰত্যক্ষভাৱে অসম, অসমৰ মানুহ, অসমীয়া ভাষা, অসমীয়া সাহিত্য আৰু অসমীয়া সংস্কৃতিৰ লগত জড়িত। নিজৰ অধ্যয়নৰ এই বিশিষ্টতাৰ মাজেদিয়েই তেখেতে সকলোৰে অজ্ঞাতে 'অসমসত্ত্ব' অধ্যয়নৰ ভেটি এটা স্থাপন কৰি গ'ল। ড° নেওগৰ এই অধ্যয়নে অসম-সম্পৰ্কীয় অধ্যয়নক প্ৰাচ্যতত্ত্ব অধ্যয়নৰ অন্তৰ্ভুক্ত কৰি প্ৰাচ্যতত্ত্ব অধ্যয়নকো এটি মাত্ৰা দিলে। গঙ্গা উপত্যকাৰ পৰা পূবৰ অংশক ভাৰত-তত্ত্ব অধ্যয়নৰ অংশত পৰিণত কৰাত য থার্থতে ড° মহেশ্বৰ নেওগৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ।" এনে অধ্যয়নৰ জৰিয়তেই সৰ্বভাৰতীয় পৰ্যায়ত প্ৰাচ্যতত্ত্ববিদ হিচাপেও তেওঁ খ্যাতি অৰ্জন কৰিছিল।

নেওগৰ গৱেষণা গ্ৰন্থখনৰ নাম হ'ল— 'Sankardeva and His Times: Early History of the Vaishnava Faith and Movement in Assam'। বাণীকান্ত কাকতিক গৱেষণা গুৰু হিচাপে লৈ তেওঁ গৱেষণাৰ কাম আৰম্ভ কৰিছিল যদিও কাকতিৰ মৃত্যু হোৱাত বিৰিঞ্চি কুমাৰ বৰুৱাৰ তত্ত্বাৱধানত গৱেষণা সম্পূৰ্ণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মহেশ্বৰ নেওগৰ সাহিত্য কৃতিসমূহৰ বিষয়ে এটা প্ৰবন্ধ লিখক। (১৫০টা শব্দৰ ভিতৰত)

১৩.৪ মূল পাঠৰ বিষয়বস্তু

'মায়ামৰীয়াৰ বুকুৰ শোণিতেৰে বনকোৱা বুৰঞ্জীৰ পাত' মায়ামৰীয়াসকলৰ এক সংক্ষিপ্ত বুৰঞ্জী। মায়ামৰীয়া সম্প্ৰদায়ৰ নামকৰণ, স্বভাৱ, ধৰ্ম, বল-বিক্ৰম আদিৰ লগতে তেওঁলোকৰ

ওপৰত হোৱা অত্যাচাৰ আৰু সেই অত্যাচাৰৰ ক্ষোভে তেওঁলোকৰ মাজত জন্ম দিয়া বিদ্রোহৰ বিষয়ে নেওগে ইয়াত আলোচনা কৰিছে। একালৰ প্ৰৱল প্ৰতাপী মায়ামৰীয়াসকলৰ বৰ্তমানৰ দুৰৱস্থাৰ কথা উল্লেখ কৰি তেওঁলোকক সকিয়নিও দিছে। অসমৰ এই কৰুণ ইতিহাস সোঁৱৰাই নেওগে বৰ্তমানৰ মানুহকো এটা শিকনি দিব বিচাৰিছে।

১৩.৪.১ মায়ামৰীয়াসকলৰ পৰিচয়

মায়ামৰীয়া কেৱল এটা মাত্ৰ জাতি বা জনজাতি বা এটা মাত্ৰ গোষ্ঠী নহয়। বুৰঞ্জীবিদ সূর্য্য কুমাৰ ভূঞাই স্পষ্টকৈ কৈছে যে মায়ামৰীয়াৰ মাজত মৰাণ, কলিতা, কায়স্থ, চুতীয়া, বিহীয়া, আহোম, কৈৱৰ্ত, বামুণ আদি সকলো বিধৰে মানুহ আছে। চৰিত পুথিত উল্লেখ আছে যে, বৰভেটি-মাজুভেটি বন্ধা সময়ত আন সকলো সত্ৰৰ শিষ্যৰ সংখ্যা আছিল বাৰ লাখ। কিন্তু মায়ামৰীয়াসকল অকলেই আছিল আঠ লাখ। এই কথাই মায়ামৰীয়া যে এটা বৃহৎ সম্প্ৰদায় আছিল তাকে প্ৰমাণ কৰে। মায়ামৰীয়াসকলে গুৰুৰ চৰণৰ বাহিৰে কাৰো ওচৰত শিৰ নত নকৰিছিল। হৰি নাম গাই ঈশ্বৰ চিন্তা কৰি গুৰুৰ একান্ত শৰণাপন্ন ভক্ত হৈ ধাৰ্মিক জীৱন কটোৱা এই মায়ামৰীয়াসকলে পৰিস্থিতিত পৰি হাতত খাণ্ডাবাৰু তুলি লৈ যুজাৰু হ'ব লগাত পৰিল। পদে পদে নিপীড়ণৰ সন্মুখীন হোৱা এই প্ৰতাপী শৌৰ্য-বীৰ্যশালী সম্প্ৰদায়টোৰ ইতিহাস অতি কৰুণ। তেওঁলোকৰ বুকুৰ তেজেৰে লিখা এই দুখৰ ইতিহাসে মায়ামৰীয়াসকলৰ অসাধাৰণ বীৰত্বকো সংৰক্ষণ কৰিছে। কিন্তু যি মায়ামৰীয়াৰ ইতিহাস বীৰত্বপূৰ্ণ ঘটনাৰে ভৰপূৰ, যি মায়ামৰীয়া সংখ্যা-শক্তি সকলো ফালৰ পৰাই অতি বিশাল সম্প্ৰদায় আছিল, যি মায়ামৰীয়াই প্ৰৱল প্ৰতাপী আহোম শাসনৰ খুঁটা লৰাই দিবলৈ সক্ষম হৈছিল সেইসকলৰ অৱস্থা পৰৱৰ্তী সময়ত "ৰণত পৰি কলীয়া হ'লি তেল নাইকিয়া ফপৰা হ'লি"ৰ দৰে হ'ল।

স্বদেশৰ স্বজাতিৰ অত্যাচাৰে জুৰুলা কৰা মায়ামৰীয়াসকলৰ দৰে ইতিহাস পৃথিৱীৰ বুৰঞ্জীতো কমেইহে পোৱা যায়। ইহুদীসকল আৰু শিখসকলৰ ইতিহাসৰ মায়ামৰীয়াৰ এই ইতিহাসৰ সৈতে সাদৃশ্য আছে। যি ইহুদীয়ে সমাজলৈ ইমানবোৰ মনোৰম গ্ৰন্থ, শ্ৰেষ্ঠ মনীষী, শ্ৰেষ্ঠ সম্পত্তিশালী ব্যক্তি দান কৰিলে সেই ইহুদীসকলেই লাঞ্ছিত নিৰ্যাতিত হৈ দুৰ্ভাগ্যক আঁকোৱালি লৈ অঘৰী হৈ দেশে দেশে ঘূৰি ফুৰিব লগা হ'ল। কিন্তু বন্দীশালত থাকিও ইহুদী কবিয়ে দেশপ্ৰেমৰ কথা ক'বলৈ আৰু দেশপ্ৰেমৰ গীত গাবলৈ এৰা নাছিল। সময় বাগৰি বহু শতিকা যোৱাৰ পিছতহে ইহুদীয়ে জেৰুজালেম পাইছে। ভাৰততো এনে ইতিহাস নোহোৱা নহয়। পৰম ধাৰ্মিক নানকপন্থীসকলক তেওঁলোকৰ ওপৰত চলা নিপীড়ণে গুৰু আৰু ধৰ্মৰ হকে অস্ত্ৰ তুলিবলৈ বাধ্য কৰিছিল আৰু ধাৰ্মিক শিখসকল গৈ যুঁজাৰু শিখত পৰিণত হৈছিল।

১৩.৪.২ নামকৰণৰ তাৎপর্য

মায়ামৰীয়া সম্প্রদায়ৰ নামটোক লৈ বিভিন্ন খেলিমেলি দেখা যায়। প্রকৃততে মোৱামৰীয়া নে মায়ামৰীয়া নে মায়ামৰা নে মোৱামৰা? কিয় এই নামকৰণ হ'ল সেই সম্পর্কে বিভিন্ন মত পোৱা যায় যেনে—

ক) এটা ভকতীয়া মত বা ব্যাখ্যা অনুসৰি চুখামফা খোৰাৰজাৰ সমুখত অনিৰুদ্ধদেৱে মায়াসর্প সৃষ্টি কৰি সংহাৰ কৰাৰ পৰা 'মায়ামৰা' শব্দৰ সৃষ্টি হ'ল।

খ) পুৰণিমাটি সত্রৰ উৎসৱানন্দ অধিকাৰ গোস্বামীয়ে উদ্ধাৰ কৰা এছোৱা পদৰ দুটা অংশ হ'ল— "উত্তৰ হাটীৰ সমীপত আছে বিল। তাত সৱে মোৱা মাছ বঞ্চে অবিকল। সেহি হ্রদ কোলে ভৈল সত্র বিচক্ষণ।এতেকেসে মোৱামৰা বোলয় বচন।" "মায়াপাশ ভকতৰ হোৱে নিবাৰণ। মায়াসর্প স্রজি পূর্বে কৈলা নিবাৰণ।"

এইফালৰ পৰা চালে মায়ামৰা-মোৱামৰা, মায়ামৰীয়া-মোৱামৰীয়া দুইটা নাম, দুইটা ব্যাখ্যাই গ্রহণীয়। কিন্তু পিছলৈ মোৱামৰীয়া বুলিলে বেয়া অর্থ ভাবিবলৈ ল'লে। কিন্তু আউনীআটীয়া, কমলাবৰীয়া, কাৱৈমৰীয়া বুলিলে যিদৰে দুখ বা বেয়া নেপায় সেইদৰে মোৱামৰীয়া বুলিলেও আচলতে দুখ পোৱা বা গালি বুলি ভবা যুগুত নহ'ব।

হিতেশ্বৰ বৰবৰুৱাই কৈছিল যে বুৰঞ্জীত বা ৰজাঘৰীয়া কোনো কাকত-পত্রত ক'তো মায়ামৰীয়া বা মোৱামৰীয়া নামটো পোৱা নাযায়। গতিকে এইটো শুদ্ধ নহয়।

কিন্তু কমলেশ্বৰ সিংহ স্বর্গদেৱে ১৭২৪ শকৰ ৮ আহাৰ তাৰিখে কলিকতাৰ গবর্নৰ জেনেৰেল বাহাদু�ৰলৈ লিখাই পথোৱা বঙলা চিঠি এখনত দুঠাইত 'মায়ামৰিয়া' শব্দ ব্যৱহাৰ কৰিছে। কিন্তু চিঠিখনত ক'তো 'মোৱামৰীয়া' নাই। গতিকে ৰজাঘৰত যে মায়ামৰীয়া শব্দৰো ব্যৱহাৰ আছিল ইয়েই প্রমাণ।

১৩.৪.৩ মৰাণ আৰু মটক

ভকতীয়া মত অনুসৰি কেৱল এটা মতহে মানে আৰু অনুসৰণ কৰে বাবে এওঁলোকক মটক বোলা হয়। মৰাণ আৰু মটকসকলক লৈও খেলিমেলি বা মতামত অনেক। সেইসমূহ এনে ধৰণৰ—

ক) ১৭৯৪ চনৰ ফেব্রুৱাৰি মাহৰ কেপ্টেইন ৰেল্শৰ চিঠিত... মৰাণ আৰু মোৱামৰীয়াক পৃথক হিচাপে দেখুৱাইছে।

খ) উজনি অসমৰ পলিটিকেল এজেণ্ট আডাম হোৱাইটে গৱর্ণৰ জেনেৰেলৰ এজেণ্ট জেন্কিন্ছলৈ লিখা চিঠিত কৈছে যে মটকসকল হ'ল মটক বা মৰাণ নামৰ খণ্ডত পোনতে বাস কৰা এটা জনজাতি। আনহাতে, তাত উল্লেখ আছে যে সত্র পতা ঠাইৰ নামৰ পৰাই মোৱামৰীয়া নাম হ'ল।

গ) শদিয়াৰ সদৰত থকা এছ. পি. হানে চাহাবে জেন্‌কিন্‌ছলৈ লিখা চিঠিত কৈছে যে বুঢ়ীদিহিং নৈৰ উত্তৰ পাৰৰ ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা মোৱামৰীয়াসকলৰ সাধাৰণ নাম মটক। এই মটকসকলৰ দুটা ভাগ—

এভাগ হ'ল— উজনিৰ ডিব্ৰু অঞ্চলৰ মৰাণসকল। এইসকলে আহোমৰ আগমনৰ আগতে বৰাহী মৰাণ নাম লৈ নিজৰ ৰজাৰ অধীনত আছিল।

আনটো ভাগ হ'ল— ঘাইকৈ চেঁচা নৈৰ পাৰত বসতি কৰাসকল। মোৱামৰীয়া সম্প্ৰদায়ৰ অন্তৰ্গত হ'লেও এওঁলোকৰ মাজত আহোম আৰু আন থলুৱা লোকো আছে।

ঘ) জেন্‌কিন্‌ছে ভাৰত চৰকাৰৰ সচিবলৈ ১৯৩৯ চনত লিখা পত্ৰত লিখিছে— মটক খণ্ড অসমৰ ৰাজ্যৰ এটা সৰু অংশ মাথোন। তাৰ সৰহ ভাগটো আহোম ডাঙৰীয়াসকলৰ খাতত বিভক্ত। মটকৰ বৰ সেনাপতিৰ পুত্ৰসকল কোনোজন মোৱামৰীয়া গোসাঁইৰ আৰু কোনোজন বামুণীয়া গোসাঁইৰ শিছ।

ঙ) ১৮৮১ চনৰ পিয়লৰ প্ৰতিবেদনত কোৱা হৈছে যে—

প্ৰথম— লুইতৰ দক্ষিণ পাৰৰ লখিমপুৰ জিলাৰ সমস্ত অংশই হ'ল মটক এলেকা। ৰবিন্‌ছন চাহাবে মটক শব্দটো খামটি ভাষাৰ পৰা অহা বুলি কৈছে। এই শব্দটোৱে মটক প্ৰদেশৰ লোককহে বুজাব লাগে। কিন্তু বৰ্তমান সি মোৱামৰীয়া গোসাঁইৰ সেৱকসকলকহে বুজায়। পিছৰ এই সেৱক অৰ্থৰ কাৰণেই মটকসকলে নিজকে 'পু�ৰণা ভকত' বুলি পৰিচয় দিয়ে।

দ্বিতীয়— 'মৰাণ' শব্দৰ অৰ্থ স্পষ্ট নহয়। আগতে মটক প্ৰদেশৰ উজনি খণ্ডকে মৰাণ বোলা হৈছিল। এতিয়া অৰ্থাৎ ১৮৮১ চনত ডিব্ৰুগড়ৰ পূব আৰু উত্তৰৰ বিস্তৃত অনাবাদী ভূমিখণ্ডকহে এই নামেৰে জনা যায়। এই এলেকাতে মৰাণৰ গোসাঁইসকলৰ বসতি। গোসাঁইৰ সেৱকসকলে নিজকে মটক মৰাণ বুলি পৰিচয় দিয়ে।

প্ৰতিবেদনখনত আৰু আছে যে ৰবিন্‌ছনৰ মতে 'মৰা' শব্দটোৰ অৰ্থ হাবিতলীয়া। আহোম ৰজাই মৰাণসকলক দিয়া খৰি লোৱা বাবৰ লগত এই অৰ্থ খাপ খায়। প্ৰতিবেদনখনৰ এই কথাটো পিছে প্ৰত্যয়জনক নহয়।

চ) আলেকজেণ্ডাৰ মেকেন্‌জিয়ে উল্লেখ কৰিছে যে পেম্বাৰ্টনৰ মতে পশ্চিমে আৰু উত্তৰে ব্ৰহ্মপুত্ৰ, দক্ষিণে বুঢ়ী দিহিং আৰু পূবে দিহিং নৈৰ পৰা কুণ্ডিল নলালৈকে এডাল ৰেখা টানিলে তাৰ মাজত যি ভূখণ্ড পৰিব সেয়ে মটক প্ৰদেশ। মৰাণসকলে গৌৰীনাথ সিংহৰ ৰাজত্বৰ অন্তলৈকে স্বাধীনতা ভোগ কৰিছিল। কেপ্টেইন ৰেল্‌শৰ দ্বাৰা পৰাভূত হৈ সাধাৰণভাৱে তেওঁলোকে ৰজাৰ বশ্যতা স্বীকাৰ কৰিছিল।মানৰ আক্ৰমণৰ সময়ত মটকৰ বৰসেনাপতিয়ে মানক খাদ্য আৰু বনুৱা যোগান ধৰিছিল। কিন্তু সৈন্যৰ যোগান ধৰা নাছিল। বৃটিছ অহাৰ লগে লগে মটকসকলে তেওঁলোকৰ সৈতে চুক্তি কৰিছিল।

বৃটিছ চাহাবসকলৰ এই সমগ্ৰ লেখামেলাৰ পৰা বৃটিছ যুগৰ আৰম্ভলৈকে মটক ৰাজ্য আৰু মায়ামৰীয়াসকলৰ ইতিহাসৰ বিষয়ে এনেদৰে থুলমুলকৈ পোৱা যায়। মায়ামৰীয়াসকলৰ ইতিহাসৰ বিষয়ে মণিৰাম দেৱানেও তেওঁৰ *বুৰঞ্জী-বিবেক ৰত্ন* পুথিৰ এটা শিতানত 'অথ মটক দৌৰাত্ম্য' নাম দি মায়ামৰীয়া বিদ্রোহৰ বিস্তৃত নিৰপেক্ষ বৰ্ণনা কৰিছে। দেৱানৰ বৰ্ণনা মায়ামৰীয়া গোসাঁইসকলৰ যি বংশাৱলী আছে তাৰ সৈতে প্ৰায়ভাগ মিলে। আনহাতে, বুৰঞ্জীসমূহত ৰজাঘৰীয়া দৃষ্টিভঙ্গীৰে কাহিনীটো লিখিছে।

১৩.৪.৪ আহোম শাসন আৰু মায়ামৰীয়া নিগ্ৰহ

মায়ামৰীয়া সত্ৰৰ বিশেষত্ব আৰু মহত্ব হ'ল সাধাৰণ প্ৰজাৰ মাজত তেওঁলোকৰ গুৰু মহাপুৰুষৰ বাণী প্ৰচাৰ কৰা। এই সম্প্ৰদায়ৰ লোকসকল পৰম ধাৰ্মিক। গুৰুৰ বাহিৰে তেওঁলোকে কাকো সেৱা নকৰে। আনকি ৰজাৰ ওচৰতো মূৰ নোদোৱায়। এই আদৰ্শ ৰক্ষাৰ বাবে তেওঁলোকে প্ৰাণ পৰ্যন্ত দিব পাৰে। এই বৈশিষ্ট্যটোৱে মায়ামৰীয়া সম্প্ৰদায়ক আনৰ পৰা পৃথক কৰিছিল। ৰাজ্যৰ যথেষ্ট সংখ্যক সাধাৰণ লোকৰ উপৰিও বৰপাত্ৰ, বৰগোহাঁই, মন্ত্ৰীলৈকে মায়ামৰীয়া গোসাঁইৰ শিষ্য হৈছিল।

চুৰমফা ভগা ৰজাৰ দিনত মায়ামৰীয়া মহন্ত নিত্যানন্দদেৱে নিজৰ অগণন শিষ্য আৰু ডুলিত থোৱা অনেক ধন-সোণ অৰ্থ-সম্পত্তি অৰ্থাৎ ঐশ্বৰ্যৰ ফালৰ পৰা নিজকে 'তুঙখুঙীয়া ঘৰৰেহে সমান' বুলি কৈছিল। এই কথা বেজদলৈ ভণ্ডাৰী বৰুৱাই গৈ ৰজাৰ আগত লগালে। তদুপৰি গোসাঁয়ে ছকুৰি টাঁৰ জোৰ লগাই বাহৰলৈ যোৱাটোও হ'ল ৰজাঘৰৰ দৃষ্টিত ডাঙৰ জগৰ। অহমিকাৰ পৰ্বততে উঠি থকা আৰু সকলোকে নিজৰ তলতীয়া কৰি ৰাখিব বিচৰা আহোম ৰাজশাসনৰ বাবে গোসাঁইৰ এনেবোৰ স্বতন্ত্ৰীয়া কাৰ্য অক্ষমণীয় অপৰাধ। এই দুটা অপৰাধৰ বাবেই চাওদাঙে গোসাঁইক ছোৱা ছোৱাকৈ কাটি কুঁজীবালিত দিখৌ নৈৰ বুকুত দিলে। এগৰাকী বুঢ়ীয়ে গোসাঁইৰ দেহাটো তুলি ৰাখিলে। মায়ামৰীয়া ভকতসকলে তাকে কাথপাৰত ধানৰ ভঁৰালত ভৰাই ভঁৰালত জুই লাগিছে বুলি কৈ সৎকাৰ কৰিলে। এই অত্যাচাৰ-অপমানত ক্ষুব্ধ হৈ তেতিয়াই তেওঁলোকে প্ৰতিজ্ঞা কৰিলে— "মাৰি যাওঁ মৰি যাওঁ গুৰুৰ ঋণ শুজি যাওঁ।" এই ঘটনা আছিল সপ্তদশ শতিকাৰ মাজ ভাগৰ। মায়ামৰীয়া সম্প্ৰদায়ৰ সকলোৰে বুকুত মনে মনে এই প্ৰতিজ্ঞা সোমাল যদিও ৰাজৰোষৰ ভয়ত প্ৰকাশ্যে একো নকৰিলে। ইয়াৰ পিছতে ৰাজপাটত উঠা গদাধৰ সিংহ উদাৰ ব্যক্তি আছিল আৰু তেওঁ মায়ামৰীয়া ধৰ্মগুৰুসকলক সন্মান কৰিছিল। আনকি তেওঁ সেই সত্ৰত শৰণ লোৱাৰ প্ৰস্তাৱো দিছিল। সেইবাবে তেতিয়াই মায়ামৰীয়া ভকতৰ বুকুত থকা জুইকুৰা জলি উঠাৰ সুবিধা নহ'ল।

কিন্তু গদাধৰ সিংহৰ দিনত কালসংহতিৰ এই মায়ামৰীয়া গোসাঁই মহন্তসকলক আকৌ অনেক নিৰ্যাতন কৰি খেদিলে। নানা অপমান অপযশ তেওঁলোকে মূৰ পাতি ল'লে। ৰঙাচৰণ ভণ্ডাৰী বৰুৱাই ভকত-বৈষ্ণৱৰ ওপৰত উপদ্ৰৱ চলালে। ৰুদ্ৰসিংহ ৰজা

হোৱাৰ পিছত পিতাকৰ কুকর্মৰ শুধৰণি কৰি খেদি দিয়া মহন্তসকলক আকৌ স্থাপন কৰিছিল। কিন্তু তেওঁকো কোনোবা টুটকীয়া লগনীয়াই লগালে যে অব্রাহ্মণে ব্রাহ্মণক শৰণ দিব নাপায়। সেই কথাত ৰজাও পতিয়ন গ'ল। তেৱোঁ মায়ামৰীয়া মহন্তসকলক লটিঘটি কৰিলে আৰু শান্তিপুৰৰ পৰা কৃষ্ণৰাম ভট্টাচার্য্যক নিজৰ দেশলৈ আনিলে। তেতিয়াৰে পৰাই আহোম ৰাজ্যত এক নতুন ধর্মপ্রৱাহ আৰম্ভ হ'ল। ৰজাৰ অনুগ্রহৰ আশাত চলা কোনো কোনো বৈষ্ণৱ সত্রতো আনকি ৰুদ্রসিংহই অনোৱা এই ধর্মই প্রৱেশ কৰিলে আৰু সত্রত শাক্ত প্রভাৱ পৰিল। বিগ্রহ পূজাও তেওঁলোকে মানিবলৈ ল'লে। এই ক্ষেত্রত স্থিৰ হৈ থাকিল কেৱল মায়ামৰীয়া গোঁসাই আৰু মায়ামৰীয়া সত্র। নিজৰ আদর্শত অটল এইসকলৰ সত্রত বিগ্রহ পূজা প্রৱেশ কৰিব নোৱাৰিলে।

ৰুদ্রসিংহই কৃষ্ণৰাম ভট্টাচার্য্যক অনাইছিল যদিও নিজে তেওঁক গুৰু কৰি লোৱা নাছিল। কিন্তু পুত্র শিৱসিংহই তেওঁক গুৰু কৰি ল'লে। এই শিৱসিংহৰে পত্নী হ'ল চিনাতলীয়া নটৰ জীয়ৰী ফুলমতী কুৱঁৰী। এই কুৱঁৰীকে বৰৰজা প্রমথেশ্বৰী পাতিলে। ক্ষমতা পায়েই বৰৰজা অত্যাচাৰী হৈ উঠিল আৰু মায়ামৰীয়া মহন্তসকলৰ ওপৰত উৎপীড়ণ আৰম্ভ কৰিলে। কালসংহতিৰ একনিষ্ঠ মায়ামৰীয়া গোসাঁইসকলক তেওঁ জোৰকৈ নতুনকৈ আমদানি কৰি অনা বামুণীয়া সত্রত সেৱা কৰোৱালে আৰু সেইসকলৰ সত্রতো বলেৰে শালগ্রাম আৰোপ কৰিলে।কেৱল ইমানতে ক্ষান্ত নহৈ মহাপুৰুষীয়া গোসাঁইক দুর্গা মূর্তিৰ সমুখত সেৱা কৰোৱাই, কঁপালত সেন্দূৰ, ৰক্তচন্দন আৰু বলিৰ তেজেৰে ৰেঘা টানি দিলে। আনসকল গোসাঁয়ে কষ্টৰে সহি থাকিল যদিও মায়ামৰীয়া চতুর্ভুজদেৱৰ কাৰণে এয়া অসহনীয় হ'ল। তেওঁ ৰাণীৰ আগত মুকলিকৈ ইয়াৰ বিৰুদ্ধে কথা কোৱাত তেওঁকো মৃত্যুদণ্ডৰ বাবে চাওদাঙৰ হাতলৈ দিছিল।ভাগ্যে কৃষ্ণৰাম পর্বতীয়া গোসাঁয়ে হাক-বচন দিয়াত চতুর্ভুজদেৱৰ অৱস্থা নিত্যানন্দদেৱৰ দৰে নহ'ল আৰু সেইবাৰলৈ তেওঁ ৰক্ষা পৰিল।

প্রমত্তসিংহ আৰু ৰাজেশ্বৰ সিংহৰ দিনত বকতিয়াল গেন্ধেলা ওৰফে কীর্তিচন্দ্র বৰ্ব্বৰুৱা প্রৱল প্রতাপী হৈ উঠিছিল। তেওঁ নিজৰ গুৰু শিলিখাতলীয়া কৈৱল্যনন্দনদেৱ ওৰফে চিকণ গোসাঁইক সন্মান দি ৰজাৰ চ'ৰাত স্থাপন কৰে। বৰবৰুৱা আৰু তেওঁৰ পুত্রই লগ হৈ মৰাণসকলক লটিঘটি কৰি সাধাৰণ দোষতে ডাঙৰ শাস্তি দিবলৈ ল'লে। মায়ামৰীয়া গোসাঁইসকলকো অপমান অসন্মান কৰিবলৈ বাট উলিয়াই ফুৰে । যিকোনো কাম যেনে গায়ন-বায়ন গাওঁতেও মায়ামৰীয়া গোসাঁইৰ ভাল হ'লেও নিজৰ শিলিখাতলীয়া গোসাঁইৰহে ভাল হৈছে বুলি কয়। এনেবোৰ অপমান-অত্যাচাৰত জুৰুলা হৈ মায়ামৰীয়া মৰাণসকলে কীর্তিচন্দ্রক এসেকা দিব বিচাৰিছিল। কিন্তু অষ্টভুজ গোসাঁয়েহে মহানতা দেখুৱাই ৰজাৰ লগত থকা সদ্ভাৱৰ বাবে কোনো অকার্য নকৰিবলৈ তেওঁলোকক উপদেশ দিলে।

ৰাজেশ্বৰ সিংহৰ পিছত ভায়েক কালশিলীয়া গোহাঁই লক্ষ্মীসিংহ ৰজা হ'ল। ৰজা হৈয়ে তেওঁ সিংহাসন নিষ্কণ্টক কৰিবলৈ ভতিজাকহঁতক অঙ্গক্ষত কৰিলে আৰু বাৰগৰাকী ৰাণীক বৰকলা হাবিলৈ নির্বাসন দিলে। ৰাণীসকলৰ দুখ-দুর্দশা দেখি মায়ামৰীয়া গোসাঁয়ে সহায় কৰিলে।এই কথা জানি কীর্তিচন্দ্রই নানা কথা ৰতনা কৰি ৰজাক লগালে আৰু গোসাঁইৰ নির্মালি ঘূৰাই দি নির্মালি অনা পাঁচনিজনক নগুৰ নাগতি কৰিলে। পূর্বে ইমান ধৈর্য ধৰি আনকো প্রতিশোধ নল'বলৈ উপদেশ দিয়া অষ্টভুজ গোসাঁইৰো সংযমৰ বান্ধ এইবাৰ খোল খাবলৈ বাধ্য হ'ল।কাৰণ ইতিমধ্যেই ইয়াৰ মাজত তেওঁলোকক আৰু অনেক ধৰণে অপমান কৰা হৈছিল। লক্ষ্মীসিংহ ৰাজপাটত উঠোতে নির্মালি দিবৰ সময়ত আন গোসাঁইসকলে মায়ামৰীয়া গোসাঁইক শাৰীত বহিবলৈ নিদিছিল।পূর্বতে বৰচ'ৰাত মায়মৰীয়াৰ যিটো শাৰী নির্দিষ্ট আছিল সেয়া আঁতৰাই আগৰ সন্মানৰ পৰা খহাই পেলোৱা হ'ল

এনেদৰেই কেইবাজনো আহোম ৰজাৰ দিনত ধাৰাবাহিকভাবে মায়ামৰীয়াসকলৰ ওপৰত অত্যাচাৰ কৰি দুর্গতি কৰিলে। ভগা ৰজাৰ দিনত নিত্যানন্দদেৱ, গদাধৰসিংহৰ দিনত বৈকুণ্ঠনাথদেৱ,লক্ষ্মীসিংহৰ দিনত অষ্ট ভুজদেৱ আৰু গাগিনী ডেকা মহন্তৰ নিধন হয়। মায়ামৰীয়া গোসাঁইসকলৰ বিপুল ধন-ঐশ্বর্য আৰু বিপুল সংখ্যক শিষ্য আছিল। সেইবাবেই ৰজাঘৰৰ তেওঁলোকৰ প্রতি সন্দেহ আছিল জানোচা কেতিয়াবা ৰজা হ'বলৈ মন মেলে। সেই আশঙ্কাই এই আক্রমণৰ গুৰি। গুণাভিৰাম বৰুৱাই কৈছে যে, যিবিলাক মানুহে গুৰুৰ বাক্য ও কার্যক সাক্ষাৎ ঈশ্বৰৰ আজ্ঞা আৰু কার্য বুলি মানে, মোৱামৰীয়াবিলাক সি শ্রেণীৰ লোক। সিহঁতে অনেক গুৰুতৰ দণ্ড পাইও তাৰ প্রতি বড় ভয় নকৰিছিল; বৰঞ্চ প্রিয়কার্য সাধন বুলি মানিছিল।

১৩.৪.৫ মায়ামৰীয়া বিদ্রোহ

প্রথম বিদ্রোহ— মায়ামৰীয়াসকলৰ ওপৰত নানা অপমান অপযশ অত্যাচাৰ ধাৰাবাহিকভাৱে চলি থাকিলে তেওঁলোকৰ ধৈর্যৰ বান্ধ খোল খোৱা স্বাভাৱিক। সেয়েহে ধর্মাধিকাৰ অষ্টভুজদেৱে প্রথমে তেওঁলোকক প্রতিশোধ লোৱাত হকাবাধা কৰিলেও পিছত আৰু বাৰণ নকৰিলে। পূর্বৰ "মাৰি যাওঁ মৰি যাওঁ গুৰুৰ ঋণ শুজি যাওঁ" প্রতিজ্ঞা মনত লৈ তেওঁলোক তলে তলে দলবদ্ধ হ'ল। গোসাঁয়ে মাত্র উপদেশ দিলে যে তেওঁলোকৰ কোনেও যাতে সিংহাসনলৈ মন নেমেলে। তুংখুঙীয়া ফৈদৰ নীতিনিষ্ঠ ভাল কোনোবা এজনৰ বাবে কাম কৰিবলৈ উপদেশ দিলে। আঘাতৰ উপৰি আঘাত পাই অতীষ্ঠ হোৱা কোনেও তেতিয়া হাকবচনলৈ কাণ দিয়াৰ সময় নাই। কিন্তু গুৰুৰ বচন কাণ নিদিয়াৰ বাবেই মায়ামৰীয়াৰ এই প্রথম বিদ্রোহ বিফল হ'ল। অৱশ্যে এই বিদ্রোহে এটা কথা বুজালে যে আহোমসকল পৰম ক্ষমতাশালী শাসক হ'লেও এয়া অচল-অটল পর্বত নহয়। ইয়াৰ ভেটিও উটি যোৱা অসম্ভৱ নহয়।

বিদ্রোহৰ পিছত কিছুদিন লক্ষ্মীসিংহ সিংহাসনচ্যুত হৈ থাকিল যদিও পুনৰ ৰজা হ'ল। এইবাৰ তেওঁ অধিক অত্যাচাৰী হৈ মায়ামৰীয়া খুটিয়াপোতা সত্ৰ উছন কৰি অষ্টভুজ গোসাঁইক স পুত্ৰবান্ধৱে মাৰিলে। ৰজাৰ নতুন বুঢ়াগোহাঁই ঘনশ্যামেও বৰভোজ এসাজ খুৱাও বুলি চল কৰি মায়ামৰীয়াসকলক সপৰিয়ালে ধৰাই আনি তেওঁলোকৰ নিজৰ হাতেৰে খাল খন্দাই নিজকে তাত পুতিলে। যি মৰাণসকলৰ লোকেৰে আহোম ৰজাৰ সৈন্যদলৰ এটা শক্তিশালী অংশ গঠন হৈছিল সেই মৰাণবধৰ বাবে লক্ষ্মীসিংহৰ দিনত ঘটা এনেবোৰ ঘটনা আত্মঘাতী নীতি বুলি সূর্য্যকুমাৰ ভূঞাই অভিহিত কৰিছে।

দ্বিতীয় বিদ্রোহ— দলে দলে মৰাণ বধ কৰিলেও বিদ্রোহ দমন নহ'ল। ঢাপে ঢাপে বাহি যোৱা অত্যাচাৰে তেওঁলোকৰো প্রতিশোধস্পৃহা দুগুণ কৰিলে। গৌৰীনাথ সিংহৰ দিনত তেওঁলোক আকৌ বিদ্রোহী হৈ উঠিল। এইবাৰ এখোজ আগুৱাই তেওঁলোকে ৰজাৰ শিঙৰি ঘৰতে জুই দিলে আৰু ৰজাক মাৰিবলৈ চেষ্টা চলালে। এইবাৰো তেওঁলোক হাৰিল। ডা-ডাঙৰীয়াসকলে ৰজাক পুনৰ মৰাণসকলৰ ওপৰত অত্যাচাৰ নকৰিবলৈ উপদেশ দিলে। কিন্তু বুঢ়াগোহাঁয়ে ৰজাক ওলোটা বুদ্ধি দি অধিক অত্যাচাৰী কৰি তুলিলে। ৰাজ্যত পুনৰ মায়ামৰীয়া বধলীলা চলিল। দিনজয় সত্ৰৰ অধিকাৰ হৃদয়ানন্দদেৱৰ মতে এইবাৰ সাত লাখ মায়ামৰীয়াক নিধন কৰা হ'ল। মণিৰাম দেৱানে লিখিছে যে মৰাশৰ গোন্ধত আনতো বাদেই লুইতৰ পানীৰ মাছো খাব নোৱাৰা অৱস্থা হৈছিল। বৰগোহাঁই আৰু বৰবৰুৱাই জোৰকৈ ধৰাত অনিচ্ছাৰেহে বুঢ়াগোহাঁয়ে এই বধলীলা বন্ধ কৰিলে।

তৃতীয় বিদ্রোহ— বুঢ়াগোহাঁয়ে কৰা মৰাণ বধলীলা বন্ধ হোৱাৰ পিছত দেশত কিছুদিন শান্তি বিৰাজ কৰিছিল। ইফালে মৰাণ নিগ্রহৰ অন্যতম প্রধান হোতা বুঢ়াগোহাঁই ঘনশ্যামৰ মৃত্যু হোৱাত তেওঁৰ পুত্র পূর্ণানন্দ ৰাজমন্ত্রী হ'ল। তেওঁ দ্রোহী মায়ামৰীয়াসকলক সামান্য শাস্তি দিবলৈ ধৰিলে। এইবাৰ মায়ামৰীয়াসকলে দা, কুঠাৰ, কাঠৰ ঢাল, বর্শা, বাঁহ-কাঠৰ তৰোৱাল, টাঙোন, ধেনুকাঁড় যিয়ে যি পাৰে হাতত লৈ ৰাজধানীলৈ ৰণৰ সাজেৰে খোজ চলালে। ৰজাৰ পক্ষ সন্ত্রস্ত হ'ল, সৈন্য চেদেলি-ভেদেলি হ'ল। ৰজাৰ চ'ৰাত ঠাই পোৱা দিহিঙীয়া গোসাঁয়ে নিজৰ শিষ্যসকলক সৈন্য কৰি যুঁজলৈ আগবাঢ়িছিল যদিও মোৱামৰীয়াৰ আগত টিকিব নোৱাৰিলে। ৰাজ-মন্ত্রী-সেনাপতি সকলো ৰংপুৰ এৰি পলাল। এই বিদ্রোহ উজনি-নামনি বিয়পি পৰিল।

গতিকে দেখা গ'লযে মায়ামৰীয়া বিদ্রোহ অসমৰ ঘৰুৱা কন্দল। নিজৰ ভাই বণ্ডহৰ মাজতে হোৱা ৰক্তাক্ত সংঘাত। এক ক'লা ইতিহাস। এই কৰুণ বিষাক্ত বুৰঞ্জীৰ মূল হোতাকেইজন হ'ল বেজদলৈ ভণ্ডাৰী বৰুৱা, ৰাণী প্রমথেশ্বৰী, কীর্তিচন্দ্র বৰবৰুৱা আৰু এই দেশতে থাকিও দেশৰ সৈতে জীণ নোযোৱা বঙালী গোসাঁইকেইজন। এই বিশেষ চৰিত্রকেইটা নথকা হ'লে হয়তো আহোম ৰাজত্ব আৰু মহাপুৰুষীয়া মায়ামৰীয়া সম্প্রদায়টোৰ গৌৰৱত ছাই নালাগিলহেঁতেন আৰু শক্তিও ম্লান নহ'লহেঁতেন। গতিকে

এই বিদ্রোহৰ প্রধান কাৰণ হ'ল— ৰজা আৰু ৰাজপুৰুষসকলৰ খামখেয়ালি আৰু স্বার্থপৰ স্বভাৱ। যি স্বভাৱে বাৰে বাৰে আঘাত দি মায়ামৰীয়া বৈষ্ণৱসকলৰ হাতত তৰোৱাল তুলি দিলে। এই তৰোৱালৰ বাবেই দেশ শান্তি-শক্তিহীন হ'ল। সুকুমাৰ সেনে লিখিছে— "মোৱামৰীয়াৰা বৈষ্ণৱ, কিন্তু জীৱহত্যায় বা ৰক্তপাতে তাহাদেৰ আদৌ অৰুচি ছিল না।" সেনে এইদৰে ক'লেও ৰক্তপাতৰ স্বভাৱ তেওঁলোকৰ সহজাত নহয় তেওঁলোকৰ এই ৰণোদ্যমৰ বাবে দায়ী সেই যুগটো।



জানি থোৱা ভাল

মায়ামৰীয়া বিদ্রোহৰ মুখ্য কাৰণসমূহ এনে ধৰণৰ—

ক) চুৰমফা ভগা ৰজাৰ দিনত নিত্যানন্দদেৱক অতি কৰুণ আৰু নিষ্ঠুৰভাৱে নিধন কৰা কার্য।

খ) একশৰণীয়া মহন্তসকলৰ ওপৰত বৰৰজা প্রমথেশ্বৰীয়ে শাক্ত ধর্ম জাপি দি কৰা অত্যাচাৰ।

গ) কীর্তিচন্দ্র বৰবৰুৱাই বাৰে বাৰে মায়ামৰীয়া গোসাঁই-ভকতসকলক কৰা অপমান।

ঘ) লক্ষ্মীসিংহ আৰু গৌৰীনাথ সিংহৰ দিনত দুবাৰকৈ হোৱা স্ত্রী-বালক নির্বিশেষে মায়ামৰীয়া নিধন লীলা।

১৩.৪.৬ মায়ামৰীয়া বিদ্রোহৰ পৰৱর্তী সময়

মায়ামৰীয়াৰ তৃতীয় বিদ্রোহত ৰজা-মন্ত্রী সকলো পলাই পত্রং দিয়াৰ পিছত নামনিৰ হউহা তাঁতী নামৰ এজন লোক কিছুদিন ৰাজশাসনৰ প্রধান হ'ল। শেষত ভৰত সিংহ নামৰ মহন্তৰ সম্পর্কীয় লোক এজনক ৰজা পতা হ'ল। ইফালে পলাই যোৱা ৰজা গৌৰীনাথ সিংহই নগাঁৱতো বিদ্রোহৰ সন্মুখীন হ'ল। নগএঞাই খেদাত তেওঁ গৈ গুৱাহাটী পালেগৈ। এয়া 'ৰজা আৰু ৰাজ্যৰ থৰকাচুটি নোহোৱা সময়'। আহোম শাসনৰ এনে দুর্দিন আৰু দুৰৱস্থা দেখি দৰঙী কোঁৱৰ কৃষ্ণনাৰায়ণে কামৰূপ ল'বলৈ হাবিয়াস কৰিলে। হিন্দুস্থানী বঙালী সেনা গোটাই তেওঁ অশান্তি আৰম্ভ কৰি দিলে। ইফালে কামৰূপৰ প্রজাও বৰফুকনৰ শাসনত অসন্তুষ্ট হৈ আছিল। এই সকলোবোৰ অনর্থ-অশান্তি-বিপ্লৱৰ ফল হ'ল অসমলৈ বৃটিছ সৈন্যৰ আগমন। মায়ামৰীয়া বিদ্রোহ শাম কাটিলে, কিন্তু দেশে অভ্যন্তৰীণ শান্তি-শক্তি দুয়োটা হেৰুৱাই নিঃস্ব হৈ পৰিল। অসমৰ ৰাজনীতিত তেতিয়া অৰাজক অৱস্থা। মোগলক ঘাটে ঘাটে পানী খুওৱা অসমত শৌর্য-ঐক্যৰ পৰিৱর্তে বিৰাজ কৰিছিল কেৱল স্বার্থান্বেষী মনোভাৱ। বিষয়াসকলে দেশৰ স্বার্থ এৰি বিশেষ বিশেষ কোনোবা একোজন কোঁৱৰৰ স্বার্থত মন দিবলৈ ধৰিলে। ফলত আৰম্ভ হ'ল ক্ষমতাৰ খোৱাকামোৰা। দেশপ্রেম পলাল। কোঁৱৰ আৰু ৰাজবিষয়াৰ এনে

বিভেদ আৰু খামখেয়ালিয়ে সাধাৰণ প্ৰজাক বিভ্ৰান্ত কৰিলে। শাক্তধৰ্মত দীক্ষা লৈ ৰাজবিষয়াসকলে অধিক সময় ৰাজ কাৰ্যৰ পৰিৱৰ্তে পূজা-পাতলত খৰচ কৰিবলৈ ল'লে। পূৰ্বে লক্ষ্মীসিংহই শাক্ত গোসাঁইৰ ধৰ্ম লোৱাত শাক্তসকলৰ মাজত দলা-দলিৰ সৃষ্টি হৈছিল। সেইবোৰেও ৰাজনৈতিক বৈষম্যক অধিক বৃদ্ধি কৰিলে।

১৩.৪.৭ মায়ামৰীয়া বিদ্রোহৰ পৰা পোৱা শিকনি

আহোম শাসন আৰু মায়ামৰীয়া বিদ্রোহৰ কৰুণ অথচ ৰক্তাক্ত বুৰঞ্জীয়ে সকলোকে শিকনি দিলে যে ধৰ্ম বা সম্প্রদায়ৰ ভিত্তিত ৰাষ্ট্ৰ চলিবলৈ যত্ন কৰা উচিত নহয়। এই ইতিহাসে এটা কথাই শিকাই যে ৰাজনীতিৰ বিষয়ত, ধৰ্মৰ বিষয়ত বুজাবুজি আৰু সহনশীলতা, সম্প্রীতি আৰু সংহতি নহ'লে ৰাষ্ট্ৰ স্থিৰ হৈ থাকিব নোৱাৰে। আজিৰ উদাৰ যুগত আমি ধৰ্মনিৰপেক্ষ দেশৰ নাগৰিক। সেয়েহে আমাক সকলোকে স্বধৰ্ম আচৰণৰ বাবে স্বাধীনতা লাগে। কিন্তু ইয়াৰ লগতে লাগে দেশৰ সংহতি আৰু নিৰাপত্তা।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ মোৱামৰীয়া সম্প্রদায়ৰ নামকৰণ সম্পৰ্কে কেনে ধৰণৰ মতামত পোৱা যায় আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৩ ঃ মায়ামৰীয়াৰ ইতিহাসক কিয় বুকুৰ তেজেৰে লিখা ইতিহাস আখ্যা দিয়া হৈছে? (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৪ ঃ মায়ামৰীয়া বিদ্রোহ বুলিলে কি বুজে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

১৩.৫ মহেশ্বৰ নেওগৰ গদ্যৰীতি

বৈচিত্র্য আৰু ঐশ্বৰ্য যিসকল লিখকৰ গদ্যৰ এক বিশেষ বৈশিষ্ট্য সেইসকলৰ ভিতৰত অন্যতম হ'ল মহেশ্বৰ নেওগ। নেওগৰ গদ্য অসীম অধ্যয়ন, অসাধাৰণ প্ৰতিভা আৰু অভিজাত ব্যক্তিত্বৰ ভেটিত গঢ়ি উঠা স্বাধীনতাৰ প্ৰতিভূ। কেতিয়াবা যদি ই জাতেপাতে জতুৱা, কেতিয়াবা ৰীতি-উদ্ধৃতি সকলো ফালৰ পৰাই বিদেশী প্ৰভাৱযুক্ত। কেতিয়াবা সৰল আৰু বস্তুনিষ্ঠ, কেতিয়াবা গুৰু-গম্ভীৰ ধ্রুপদী গঢ়ৰ অথবা কেতিয়াবা অনুভূতিৰ প্ৰভাৱযুক্ত আলঙ্কাৰিক। কিন্তু গদ্য যি সাঁচতে গঢ় নলওক লাগে সি সদায়েই লেখকৰ উদ্দেশ্য পূৰণত উপনীত হ'ব পৰাকৈ বিষয় সাপেক্ষ আৰু সমৃদ্ধিশালী। শিশু সাহিত্য, আত্মজীৱনী, নাটক আদি কিছু ৰচনাক বাদ দি নেওগৰ গদ্য মূলতঃ চিন্তাৰ গদ্য। শব্দ সংস্থাপন, বাক্য ব্যৱহাৰ, বিষয় উপস্থাপন আদি বিভিন্ন দিশৰ পৰা তেওঁৰ ৰচনাত ফুটি উঠা বৈশিষ্ট্যৰ আলোচনা দাঙি ধৰা হ'ল—

- **শব্দসম্ভাৰ ঃ** নেওগৰ গদ্যত লিখকৰ সচেতন শব্দ ব্যৱহাৰৰ স্বাক্ষৰ বিৰাজমান। নিভাজ জতুৱা অসমীয়া শব্দৰ প্ৰতি তেওঁৰ এক স্ব ভাৱজাত আকৰ্ষণ আছিল। সেয়েহে স্ব ভাৱৰ ঠাইত 'সজ', অৱহেলা'ৰ ঠাইত 'আওহেলা' আদি অনেক জতুৱা শব্দৰ লগতে কথ্য ৰূপৰ সাইধ, খেমা, তেও বুলি আদি শব্দৰে তেওঁৰ ৰচনা ভৰপূৰ। বিশেষকৈ কিছুমান জতুৱা বিশেষণৰ প্ৰয়োগ তেওঁৰ ৰচনাত অতি আকৰ্ষণীয়। পলাশপতীয়া ওঁঠ, ল'ৰাৰ গুণৰ ক্ষেত্ৰত 'যোলেটকীয়া', জামুক-বুলীয়া কেশ, ভাঁউৰি-পাক, বান্দৰ বুধি আদি শব্দৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। তদুপৰি শিশু সাহিত্যত তেওঁ সচেতনভাৱেই যেন জতুৱা শব্দক অধিক প্ৰাধান্য দিছিল। সাধুকথা যিহেতু নিভাজ লোকজীৱনৰে সম্পদ, সেয়েহে ইয়াৰ সৈতে ৰজিতা খুৱাই হয়তো তেওঁ লোকভাষা ব্যৱহাৰত অধিক গুৰুত্ব দিছিল। ইয়াৰ লগতে শিশু মনস্তত্ত্বৰ প্ৰতি লক্ষ্য ৰাখি যিকোনো পৰিৱেশ, ঘটনা আদি প্ৰকাশ কৰিবলৈ ব্যাপকভাৱে তেওঁ ধ্বন্যাত্মক শব্দৰ সহায় লৈছিল। এনে আকৰ্ষণীয়, সুকৌশলী শব্দ প্ৰয়োগৰ নিদৰ্শন তুলি ধৰা হ'ল— "কল্‌কলাই, খল্‌খলাই, জিব্‌জিব্‌কৈ বৈ যোৱা জান-জুৰি, মৌ-মিঠা মাতেৰে তোল-পাৰ লগাই থকা চৰাই-চিৰিকতি, মিঠা মুখৰ হাঁহিৰ নিচিনা ফুলবোৰ লৈ হাবি-বননিয়েও যেন সদায় কেলিষ্ট'ৰ কাৰণেই হাটলৈ-বাটলৈ চাই থাকে।"

'ডাৱৰৰ সিপাৰে ধুনীয়া দেশ' পুথিখনৰ সাধুবোৰ মূলতঃ বিদেশী যদিও পুথিখনৰ প্ৰতিটো অনুচ্ছেদেই উদাহৰণত দেখুওৱাৰ দৰে নিভাঁজ যুৰীয়া আৰু ধ্বন্যাত্মক শব্দৰে উপচি আছে। ভাউচ্‌-ভাউচ্‌কৈ ভাটি কোবোৱা, টং-টং ঠন্‌-ঠনব্‌ কৰি নিয়াৰিত হাতুৰি পিটা, লাঙনি-পাঙনি, ঐদহে-বৈদহে আদি প্ৰয়োগে শিশুক অসমীয়া ভাষাৰ এটা মৌলিক আৰু একক ৰূপৰ সৈতে যে একাত্ম হোৱাত সহায় কৰিব সি নিশ্চিত। শিশু সাহিত্যৰ উপৰিও নেওগৰ অন্যান্য গদ্যতো জতুৱা শব্দৰ প্ৰয়োগ অতি আকৰ্ষণীয়। আনহাতে, নিজ ভাষাৰ জতুৱা শব্দ প্ৰয়োগত ইমান সচেতন লিখকজনৰ ৰচনাত খুছি, ছুৰু আদি শব্দৰ প্ৰয়োগ থকাটো অতি লক্ষণীয় বিষয়। তদুপৰি নেওগৰ গদ্যত ইংৰাজী শব্দৰ ব্যৱহাৰো যথেষ্ট। প্ৰচুৰ অধ্যয়নশীল নেওগৰ বিশাল পাণ্ডিত্যৰ প্ৰভাৱতে বিষয়ৰ প্ৰয়োজনত এনেবোৰ শব্দৰ মুকলি প্ৰয়োগ ঘটিছে। কেতিয়াবা অসমীয়া শব্দ অভীপ্সিত অৰ্থ প্ৰকাশৰ বাবে পৰ্যাপ্ত নহ'ব বুলি ভাবি আৰু কেতিয়াবা বিষয়সমূহ সাৱলীলভাৱে কৈ যাওঁতে সাধাৰণভাৱেই ইংৰাজী শব্দক তেওঁ গদ্যত ঠাই দিছে। যেনে— "এই আলোড়ন যেতিয়ালৈকে শক্তিমান হৈ নাহে, তেতিয়ালৈকে আমাৰ Aesthetic আৰু Intellectual পুষ্টি সাধন আশা কৰা টান।"

উদাহৰণটোৰ পৰা এটা কথা স্পষ্ট হয় যে শব্দ প্ৰয়োগৰ ক্ষেত্ৰত নেওগ ৰক্ষণশীল নাছিল। চৰিত পুথিৰ আলোচনাকে ধৰি ধৰ্ম, ধৰ্মগুৰু আৰু আধ্যাত্মিক বিষয়ৰ লিখাত সৰল-জটিল বিভিন্ন তৎসম শব্দৰ মুকলি প্ৰয়োগ কৰাৰ বিপৰীতে আধুনিক সাহিত্যৰ সমালোচনা, পাশ্চাত্যৰ প্ৰসঙ্গ আদিত ইংৰাজী শব্দকে সহজতে আদৰি লৈছে। আনহাতে,

কোনো ঠাইত কেৱল ইংৰাজী শব্দ ব্যৱহাৰ কৰিলেও ইংৰাজী শব্দৰ অসমীয়া প্ৰতিশব্দ উল্লেখ কৰি যথাসম্ভৱ বিষয়টো স্পষ্ট কৰাৰ চেষ্টা কৰাটো তেওঁৰ এটা ৰীতি। এনে ৰীতি তেওঁৰ গদ্যত অতি ব্যাপক। দুটামান উদাহৰণ মাত্ৰ দাঙি ধৰা হ'ল— প্ৰাথমিক অনুসন্ধান (Sample Survey), বস্তুটো মানুহৰ সন্মুখলৈ উলিয়াব পৰা (Presentable), ধেমালি (Frivolity), জীৱন-বিমুখী বা সত্যক ফাঁকি দিয়া (Escapist), স্বপ্ন-ভঙ্গ (Disillusionment), সৰ্বেশ্বৰবাদ (Pantheism), ওজস্বিতা (Virility), ব্যক্তিগত উপাদান (Personal Element), সংযোগ-গ্ৰন্থি, (Connection Link), আচহুৱা (Outlandish), প্ৰত্যক্ষ সংগ্ৰাম বা Direct Action, Dandyism বা ফুল-বাবুৱামি, স্মৰণীয় গুণ (Memorability)।

গতিকে উৎসগত দিশৰ পৰা নেওগৰ শব্দসম্ভাৰ বিচিত্ৰ আৰু ভাবোপযোগী। প্ৰচুৰ অধ্যয়নপুষ্ট নেওগৰ শব্দসম্ভাৰ বিভিন্ন ভাষাৰ শব্দৰে চহকী আছিল। সেয়েহে তেওঁৰ গদ্যত নিজৰ ভাষাৰ জতুৱা শব্দৰ পৰা বাংলা শব্দলৈকে বিভিন্ন শব্দৰ মুকলি আৰু সফল প্ৰয়োগ কৰিবলৈ সমৰ্থ হৈছে। তেওঁৰ গদ্যত বাংলা শব্দৰ প্ৰয়োগ যথেষ্ট। তদুপৰি অপ্ৰয়োজনীয় শব্দৰ মেলা তেওঁৰ গদ্যত নাই। বিষয়ৰ পাৰ্থক্য ভেদে তেওঁৰ শব্দসম্ভাৰ কোনো সময়ত অতি সৰল আৰু মধুৰ। ইয়াত হুটা শব্দৰ স্থান নাই। আনহাতে, কোনো সময়ত শব্দ অতি ওজস্বী। কেতিয়াবা আকৌ শব্দ কেৱল ভাবৰ বাহক, তাত কোনো চাতুৰ্য নাই। কোনো সময়ত আকৌ শব্দৰ চমৎকাৰিত্ব স্পষ্টভাৱে অনুভৱ হয়। বিশেষকৈ চিন্তাৰ গদ্যত লিখক শব্দৰ ক্ষেত্ৰ ত যথেষ্ট সচেতন হোৱা দৰকাৰ। গধুৰ ভাবৰ প্ৰবন্ধতো নেওগে সম্পূৰ্ণ নিজা দৃষ্টিৰে প্ৰয়োগ কৰা কিছুমান শব্দ অতি অৰ্থবহ, অতি সাৰ্থক। যেনে— "লক্ষ্মীনাথৰ আগতে আমাৰ জাতীয় সাহিত্যৰ নাড়ী পিটিকি চাওঁতা ডাঙৰ সাহিত্যিক কোনো নোলাল।"

এনে গদ্যই লিখকৰ চিন্তা আৰু দৃষ্টিৰ এটা স্বকীয় আৰু গভীৰ ৰূপ প্ৰতিফলিত কৰে। আনহাতে, সমালোচনাৰ গদ্যক সৃষ্টিশীল সাহিত্যৰ দৰে মনোৰম অথচ আঁৰ নলগা ৰূপত থিয় কৰাব পৰা শক্তিও শব্দৰ আছে।নেওগৰ গদ্যত শব্দৰ এনে ভিন্ন ৰীতিৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

- **বাক্যৰীতিঃ** নেওগৰ ৰচনাৰ বাক্যৰীতি শব্দৰ দৰেই যথেষ্ট বৈচিত্ৰ্যপূৰ্ণ। চিন্তামূলক লেখাত তেওঁৰ বাক্য সৰল, পোনপটীয়া। কিছু সংখ্যক বাক্য অতি সাৰগৰ্ভ আৰু সংহত। 'ভাৰতীয় জাগৰণ নিজৰ অৰ্ধজীৱিত সংস্কৃতিৰ পুনঃপ্ৰতিষ্ঠা মাথোন', 'ভাব কোনো প্ৰদেশ বা জাতিৰ এদনীয়া সম্পত্তি নহয়' আদিৰ দৰে বাক্য গদ্যৰ বাবে সম্পদ স্বৰূপ। চিন্তাৰ গদ্যৰ লগতে শিশু সাহিত্যতো নেওগে খৰ গতিৰ চুটি চুটি বাক্যৰ ভালেমান প্ৰয়োগ কৰিছে। কিন্তু কবিতাৰ সমালোচনাকে ধৰি আন কেতবোৰ ৰচনাৰ বাক্য সকলো সময়তে সৰল নহয়। কেতিয়াবা ই আড়ম্বৰপূৰ্ণ কাব্যিক আৱেশযুক্ত আৰু কেতিয়াবা ই দীঘল আৰু বহুভাবযুক্ত। এনে বাক্যবোৰো কিন্তু বিষয়োপযোগী। আনহাতে, *জীৱনৰ দীঘ আৰু বাণি*, *ডাৱৰৰ সিপাৰে ধুনীয়া দেশ* আদিৰ দৰে ৰচনাত লেখকৰ আবেগৰ পাৰ

ভাগি গৈ কোনো সময়ত বাক্যৰ গতি বহুভাবযুক্ত আৰু বহুমুখী হৈ উঠিছে। কিন্তু আত্মজীৱনীখনত হঠাতে যেন আকৌ ওভতনি যাত্রা আৰম্ভ হয় আৰু লগে লগে লেখক সচেতন হৈ উঠে। মুহূর্ততে গদ্যও হৈ উঠে বস্তুনিষ্ঠ, সাৱলীল, সৰল। *জীৱনৰ দীঘ আৰু বাণিত* জন্মস্থান কমাৰফদীয়া আৰু ইয়াৰ উৎসৱ-অনুষ্ঠান বিশেষকৈ ব'হাগ বিহুৰ কথা ক'বলৈ গৈ তেওঁৰ আবেগ উথলি উঠিছে। একে উশাহতে অনেক কথা কৈও যেন হেঁপাহ পলোৱা নাই। কিন্তু পিছ মুহূর্ততে "দিখৌ নৈক পুৰণি বুৰঞ্জীত বাশিষ্ঠী গঙ্গা বোলা হৈছে। ইয়াৰ পাৰতেই হেনো এদিন বশিষ্ঠ মুনিৰ আশ্রম আছিল" বুলি বস্তুনিষ্ঠ, সৰল বাক্য ৰচনা কৰিছে।

বাক্যাংশ ৰূপে অসমীয়া লোক সাহিত্য, প্রাচীন অসমীয়া সাহিত্য, সংস্কৃত সাহিত্য, বাংলা সাহিত্য, বিদেশী সাহিত্য আদিৰ উদ্ধৃতি সন্নিৱেশ কৰি বাক্য ৰচনা কৰা ৰীতিও তেওঁৰ গদ্যত প্রচুৰভাৱে দেখা যায়। আনকি কেতিয়াবা একেটা বাক্যত সংস্কৃত, ইংৰাজী সকলো বাক্যাংশ প্রয়োগ হৈছে। তেওঁৰ গদ্যৰ পৰা এনে বাক্যৰ নিদর্শন তুলি ধৰা হ'ল— "তাঁতৰে শালতে দেখিবৰে পৰা পেটলৈ ভাতে নোযোৱা হোৱাটোৱেই" পূর্বৰাগৰ উন্মাদ অৱস্থা— নয়নপ্রীতিঃ প্রথমম্ (love at first sight)।"

আনহাতে, জতুৱা ঠাঁচৰ বাক্যৰো আকর্ষণীয় তথা বহুল প্রয়োগ তেওঁৰ গদ্যৰ এটা বৈশিষ্ট্য। বিশেষকৈ *জীৱনৰ দীঘ আৰু বাণি* আৰু *ডাৱৰৰ সিপাৰে ধুনীয়া দেশত* এনে প্রয়োগ অতি চকুত লগা। অসমীয়া ভাষাৰ নিজস্ব ৰূপ আৰু শক্তি এনে বাক্যসমূহে সবলভাৱে ধৰি ৰাখিছে। নেওগৰ গদ্যত ব্যাপকভাৱে থকা এনে বাক্যৰ নিদর্শন হ'ল— "কি হেৰুৱালোঁ জানেনে—গোটেই আবেলি বেলাতো চিঁউ চিঁউ কৰি আকাশত বনোৱা আৰু বালিত পৰি পাখি কটলা চিলনীবোৰ।"

আনহাতে, ক্রিয়া মাজত সন্নিৱেশ কৰি বাক্য ৰচনা কৰাৰ এটা বিশেষ প্রৱণতা তেওঁৰ আছিল। তেওঁৰ সাহিত্যত এনে বাক্য প্রচুৰভাৱে পোৱা যায়। এয়া অসমীয়া ভাষাৰ সহজ প্রচলিত ৰীতি নহয়। কিন্তু নেওগৰ গদ্যত ই এক বিশেষ ৰীতি ৰূপেই গঢ় লৈছে। আনহাতে, অনেক ক'বলগা কথা একেটা বাক্যতে সন্নিৱেশ কৰি বহু সময়ত তেওঁ যথেষ্ট দীঘল বাক্য ৰচনা কৰিছে। বিশেষকৈ আবেগজড়িত বিষয়সমূহত তেওঁৰ হাতত এনে ভালেমান বাক্য সৃষ্টি হৈছে। ই বহু সময়ত লিখকৰ মনোভঙ্গীক স্পষ্ট কৰিছে, কিন্তু গদ্যৰ গতিক আড়ষ্ট কৰা নাই। তেনে এটা বাক্য হ'ল— "যাৰ অনুসন্ধিৎসাই আহোম বুৰঞ্জীৰ চোৰাং-চোৱাৰ চ'ৰা পোহৰ কৰি তুলিব খোজে, দেশৰ কথা মনত পৰিলে যাৰ মন জাগ দিয়া জাহাজী কলৰ দৰে মৰহি যায়, আৰু যাৰ কথাৰ ছেৱত আমাৰ আজো বুঢ়ী আইৰ মুখতে মলঙি যোৱা মাত আৰু তাহানিৰ ডা-ডাঙৰীয়াসকলৰ মেঘৰ গাজনিৰ নিচিনা বচনে প্রতিধ্বনি তোলে, সেই চাৰিঙীয়া বেণুধৰ শর্মাৰ বচন-ভঙ্গিমা একক।"

ইয়াত দেখা গৈছে এটা দীঘল বাক্য। বাক্যটোৱে বেণুধৰ শর্মা মানুহজনৰ গোটেই ৰূপটোকেই যেন প্রকাশ কৰিছে। কিন্তু বাক্যটো কৃত্রিমসুৰীয়া নহয়। আনহাতে, প্রায়সকল

প্ৰতিভাশালী লিখকৰ ৰচনাত ভাববোধক, প্ৰশ্নবোধক আদি বাক্যৰ ব্যৱহাৰ থাকে। কিন্তু কাৰোবাৰ ক্ষেত্ৰত ই ব্যাপক আৰু অতি সাৰ্থক। কাৰোবাৰ ক্ষেত্ৰত সাধাৰণ ব্যৱহাৰ মাত্ৰ হৈ ৰয়। মহেশ্বৰ নেওগৰ গদ্যত এই দুয়োশ্ৰেণীৰ বাক্যই লিখকৰ কৌশল আৰু প্ৰতিভাৰ স্বাক্ষৰ হৈ থিয় দিছে। ক'ৰবাত ভাববোধক বাক্যই লিখকৰ সমালোচনাত্মক ভাব, ক'ৰবাত নঞৰ্থক বা নিশ্চিত ভাব, ক'ৰবাত আবেগ আদিক অতি প্ৰভাৱশালী ৰূপত প্ৰকাশ কৰিছে। "সিহঁতৰ কাৰণে বেচেৰীয়ে মৰিবলৈকো জানো কোঁচ খাব?" বাক্যটোৱে বা "সাহিত্যিক জীৱন বোলা বস্তুটোক দৈনন্দিন জীৱনেৰে একে-কঠী বুলি ল'বলৈ আমাৰ দেশত অৱসৰ ক'ত, তেনে কৰিবলৈ আমাৰ পুৰুষেইবা আছে কেইজন?" আদিৰ দৰে বাক্যই গদ্যক চহকী কৰিছে। ইয়াত ভাবে নিশ্চিতভাৱে পাঠকক চুই যাব পাৰে।

বাক্যৰ এনে বৈচিত্ৰ্যই নেওগৰ গদ্যক বৈচিত্ৰ্য লাভত বিশেষভাৱে সহায় কৰিছে। এনেদৰে বিভিন্ন ভঙ্গীৰে গঢ়ি তোলা বাক্যবোৰে তেওঁৰ গদ্যক পৌনঃপৌনিকতাপূৰ্ণ ৰীতিত বন্দী হোৱাৰ পৰা মুক্তি দিছে আৰু ই তেওঁৰ গদ্যক ঐশ্বৰ্যও প্ৰদান কৰিছে। তদুপৰি বাক্যৰ সুনিপুণ সন্নিৱেশৰ বাবে কোনো কোনো ঠাইত নেওগৰ গদ্য শ্ৰুতিমাধুৰ্য ভৰা লয়যুক্ত হৈ উঠিছে। গদ্যক কৃত্ৰিম নকৰাকৈ সৃষ্টি হোৱা এনে লয় গদ্যৰ বাবে আদৰণীয়।

- **অলঙ্কাৰ ঃ** সাধাৰণ দৃষ্টিত অলঙ্কাৰ সৃষ্টিশীল সাহিত্যৰ একচেটিয়া সম্পত্তি। কিন্তু ই শুদ্ধ নহয়। লিখকৰ পাণ্ডিত্য আৰু প্ৰতিভাৰ প্ৰভাৱত অলঙ্কাৰেৰে জকমকীয়া প্ৰবন্ধ গদ্যও অতি উৎকৃষ্ট মানসম্পন্ন হ'ব পাৰে। নেওগৰ সাহিত্যত অলঙ্কাৰৰ প্ৰয়োগ কম নহয়। এনে বিভিন্ন অলঙ্কাৰসমূহ গদ্যকাৰৰ মনোৰম কল্পনা আৰু দক্ষতাৰ প্ৰতিভূ। যেনে—

  উপমা— "ভক্তৰ সংখ্যা বাৰিষাৰ লুইতৰ দৰে বাঢ়িল।"

  অনুপ্ৰাস— "জেতুকাবুলীয়া জেতুকীৰ মুখখনিহে জিলিকি উঠিছিল।"

  ৰূপক— "'জোনাকী'ৰ যুগৰ কাব্য-বীণাৰ ৰুদ্ৰতান এটি অসমৰ আকাশে বতাহে সিঁচৰতি হৈ পৰিল।"

  নিদৰ্শনা— "তেতিয়াই তেওঁৰ গাত তীখা দেখা দিয়ে।"

  এনে ধৰণৰ বিভিন্ন অলঙ্কাৰ নেওগৰ প্ৰায়বিলাক গদ্যতে পোৱা যায়। কেৱল সম্পূৰ্ণ বস্তুনিষ্ঠ ৰচনাতহে সততে তেওঁ অলঙ্কাৰক আঁতৰত ৰাখিছে। অলঙ্কাৰৰ এনে নিদিষ্ট প্ৰয়োগৰ উপৰিও সামগ্ৰিক ভাষাৰীতিৰ জৰিয়তে সৃষ্টি হোৱা আলঙ্কাৰিক গদ্যও তেওঁৰ ৰচনাত আছে। বিষয় সাপেক্ষে সৰল গদ্য যিদৰে বাঞ্ছণীয়, সেইদৰে এনে বাখৰুৱা গদ্যও বিষয়ানুকূল হ'লে সি লিখকৰ দক্ষতা ঘোষণা কৰিব পাৰে। প্ৰচুৰ চিন্তাভিত্তিক গদ্যও সৃষ্টিশীল সাহিত্যৰ দৰে আলঙ্কাৰিক আৰু ৰমণীয় হ'ব পাৰে। বাণীকান্ত কাকতিৰ হাতত এনে চিন্তামূলক ৰমণীয় গদ্য সৃষ্টি হৈছিল। মহেশ্বৰ নেওগৰ হাতত সমালোচনাৰ গদ্যৰ এনে সুকীয়া ৰীতি বিস্তৃত ধাৰাত দেখা নাযায় যদিও অনেক ঠাইতে মনোৰমভাৱে আলঙ্কাৰিক গদ্যই ৰূপ লাভ কৰিছে। *আধুনিক অসমীয়া সাহিত্য*, *ডাৱৰৰ সিপাৰে ধুনীয়া দেশ*, *জীৱনৰ দীঘ আৰু বাণি* আদি পুথিত এনে ৰীতি স্পষ্ট। নেওগৰ ৰচনাৰ

পৰা বিপৰীত ৰূপৰ গদ্যৰ দুটা উদাহৰণ চাব পৰা যায়— "তেওঁৰ প্ৰেমৰ কাব্যই ললিতা ৰাগিণী টানি পুৱঁতীৰ আন্ধাৰৰ লগতে মেলানি মাগিছে যেন পাওঁ।... বিমুখ প্ৰিয়াৰ অবুজ স্বভাৱে, সেই প্ৰিয়াৰ সৌন্দৰ্যৰ জুয়ে বৰুৱা কবিকো বাসনাত গলাই পেলাইছে, প্ৰেম আৰু প্ৰেমিকা-সৰ্বস্ব কবিয়ে, ডান্‌টেই বিয়েট্ৰিচৰ চকুত দেখা সৰগ-নৰকৰ ছাঁৰ দৰে তিমিৰ-নাশী প্ৰেম-সৌন্দৰ্যৰ আকাশ-বাঁতি লক্ষ্য কৰিছে।"

"বেলাড মানে গল্প আকাৰৰ গীত। ই এটি সৰু বা ডাঙৰ বিৱৰণ থকা কবিতা। কবিতাটো সাধাৰণতে গীত কৰি গোৱা হয়।কবিতাটোৰ বিশেষত্ব— তাৰ ভিতৰৰ বিষয়বস্তু বা প্ল'ট আৰু ভাষাৰ সুৱলা আৰু সহজ গঢ়। তাক চৰিটীয়া পদৰ ছেদ বা স্টাঞ্জা কিছুমানত ভাগ কৰা হয়।বেলাডৰ আঁতি-গুৰি উলিওৱা সহজ নহয়।।"

উদাহৰণকেইটাত দেখা যায় যে ইয়াৰ মূল ভেটিটো হ'ল চিন্তা। তথাপিও প্ৰথমটোৰ গদ্য আলঙ্কাৰিক আৰু ৰমণীয়। দ্বিতীয়টোৰ সৰলতাই হ'ল তাৰ অলঙ্কাৰ। গতিকে নেওগৰ বিশাল সাহিত্য সম্ভাৰৰ মাজত এনে ভিন্ন ৰীতি সৰলভাৱে গঢ় লোৱাই স্বাভাৱিক।

বিভিন্ন ঘটনা, পৰিস্থিতি আদিৰ ৰূপায়ণৰ বাবে অধিক ক্ষেত্ৰতে তেওঁ বৰ্ণনাত্মক গদ্যৰ আশ্ৰয় লৈছে। নিকা অসমীয়া ভাষাৰ দৰে পুথিত তথ্যমূলক গদ্য, আৰ্ট আৰু জীৱনৰ সম্পৰ্ক প্ৰতিষ্ঠা কৰিবলৈ গৈ কোৱা কথাত যুক্তিমূলক গদ্য, ত্ৰিকল্প আদিত নাটকীয় গদ্য, আধুনিক অসমীয়া সাহিত্য পুথিৰ বিভিন্ন ঠাইত চিন্তামূলক গদ্যৰ প্ৰকাশ ঘটিছে। গদ্যত এনেদৰে বিভিন্ন ৰীতি গঢ় লোৱাটো ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল ৰীতিক লিখকৰ উদ্দেশ্য পূৰণত প্ৰয়োগ কৰাটোহে। নেওগ এই ক্ষেত্ৰত এজন সাৰ্থক গদ্যকাৰ। বিষয় আৰু পাঠক দুয়োটাৰ প্ৰতি সতৰ্ক আছিল বাবেই তেওঁৰ গদ্যৰ ভাষা আৰু ৰীতি দুয়োটাই বিচিত্ৰ।

আনহাতে, নেওগৰ সামগ্ৰিক গদ্যৰ মাজত প্ৰকাশভঙ্গীৰ কিছু নিজা বৈশিষ্ট্য বিদ্যমান। শিশু সাহিত্য *অসমৰ জনজাতীয় সাধু* আৰু *ডাৱৰৰ সিপাৰে ধুনীয়া দেশত* প্ৰকাশভঙ্গীৰ আকৰ্ষণীয় ৰূপ পৰিলক্ষিত হয়। ইয়াৰ মাজত চিন্তাশীল পণ্ডিত মহেশ্বৰ নেওগজন সম্পূৰ্ণ ৰূপে অনুপস্থিত। পুথিকেইখনৰ প্ৰকাশভঙ্গী জাতে-পাতে সম্পূৰ্ণ জতুৱা। ইয়াতেই তাৰ চমৎকাৰিত্ব বা মহত্ত্বও নিহিত হৈ আছে। এই অতি শক্তিশালী ভাষা আৰু সৰল প্ৰকাশভঙ্গী *ডাৱৰৰ সিপাৰে ধুনীয়া দেশত* অধিক পোৱা যায়। পুথিৰ সাধুবোৰৰ শিপাডাল যদিও বিদেশী ইয়াৰ প্ৰকাশভঙ্গীৰ মাজত এটা আশ্চৰ্যকৰ ৰূপ বিৰাজ কৰিছে। সাধু যে মূলতঃ কৈ যোৱা পৰম্পৰাৰ পৰা অহা এক সম্পদ সেই কথালৈ লিখকে সচেতন দৃষ্টি ৰাখিছে। "এটি ধুনীয়া সাধু আছে, শুনাহক" আদি প্ৰয়োগ ইয়াৰ উদাহৰণ। আনহাতে, উজনি অসমৰ কথনভঙ্গীৰ প্ৰয়োগ ইয়াত অতি আকৰ্ষণীয়। পুথিখনত উপচি থকা এনে উদাহৰণ হ'ল— "মোৰ আই, মোৰ সোণকণি, এই বুঢ়ীয়ে সংসাৰৰ এবুৰি-এআঁৰা খুন্দা-খুন্দলি খাই এইকোঁচা চুলি পকালোঁ।... কিন্তু সোণটি, সেই বুলি দেৱতাৰ লগত নিজক ৰিজাবলৈ যোৱাটো নুশুৱায় হ'লে দেই, মই ক'লোঁ একা।"

বিদেশী মূলীয় সাধু হোৱা সত্ত্বেও অতি ঘৰুৱা ভাষা আৰু ভঙ্গীৰে সমগ্ৰ পুথিখনৰ পৰিৱেশকে এটা সুকীয়া ৰূপৰ কৰি তোলা হৈছে। এয়া পাকৈত, সুকৌশলী গদ্যকাৰৰ পক্ষেহে সম্ভৱ। তদুপৰি পুথিখনৰ প্ৰকাশভঙ্গী সম্পূৰ্ণ ৰূপে শিশু মনস্তত্ত্ব উপযোগী ৰূপতে গঢ় দিয়া হৈছে। সাৰ্থক উপলব্ধিৰ বাবে ইয়াত লিখকে সহজ পৰিচিত ঘৰুৱা তুলনাৰে বিষয় তুলি ধৰিছে। তদুপৰি প্ৰত্যক্ষ উক্তি আৰু কথোপকথনৰ প্ৰচুৰ প্ৰয়োগৰ বাবে এহাতে প্ৰকাশভঙ্গী সমৃদ্ধ হৈছে, আনহাতে, ই শিশুৰ বাবেও অতি আকৰ্ষণীয় হৈছে। আনহাতে, সাধুবোৰৰ আৰম্ভণি আৰু সামৰণিও লিখকৰ দূৰদৃষ্টি আৰু সুকৌশলী ভঙ্গীৰ পৰিচায়ক। ভিন্ন শৈলীৰে সাধুৰ আৰম্ভণি কৰাৰ দৰে সাধুৰ সামৰণিৰ ভঙ্গীকো কেতিয়াবা তেওঁ নতুন ৰূপ দিয়া দেখা গৈছে। পৰিচিত ৰীতিতকৈ ব্যতিক্ৰম ভঙ্গীয়ে শিশুক এটা সুকীয়া আনন্দ দিব পাৰে।

নেওগৰ আত্মজীৱনী *জীৱনৰ দীঘ আৰু বাণ্বি* গদ্যৰো প্ৰকাশভঙ্গী মনোৰম। বিশেষকৈ ইয়াত চিত্ৰিত ঘৰুৱা জীৱনৰ কথাবোৰত নেওগৰ গদ্য অতি আকৰ্ষণীয় হৈ উঠিছে। ইয়াৰ জৰিয়তে পুথিৰ মাজত এটা নিভাঁজ গ্ৰাম্য পৰিৱেশ মূৰ্ত হৈ উঠিছে। আনহাতে, তেওঁৰ বিদ্যায়তনিক আৰু বৌদ্ধিক জীৱনৰ কথাবোৰত প্ৰকাশভঙ্গীৰ ৰীতি কিছু সুকীয়া। এইবোৰত বাংলা, পুৰণি অসমীয়া সাহিত্য, সংস্কৃত সাহিত্য আদিৰ প্ৰসঙ্গৰ প্ৰচুৰ উল্লেখেৰে গদ্যই এটা পৰিমাৰ্জিত আৰু আভিজাত্যপূৰ্ণ ৰূপত গঢ় লৈছে। অৰ্থাৎ তেওঁৰ আগছোৱা জীৱনৰ কথা-বতৰাৰ বৰ্ণনাবোৰক যদি এজন জাতে-পাতে নিভাঁজ গ্ৰাম্য অসমীয়া লোক বুলি কোৱা যায় তেন্তে পিছৰটোৰ প্ৰকাশভঙ্গীক এজন অভিজাত, পৰিশীলিত নাগৰিক বুলি ক'ব পাৰি। আনহাতে, আত্মজীৱনী, নাটক বা গল্পত গদ্যকাৰ হিচাপে নেওগৰ চাতুৰ্য দেখা যায় চিত্ৰধৰ্মী বৰ্ণনাত। লেখকৰ সূক্ষ্ম অনুভৱৰ প্ৰভাৱত বৰ্ণনাই একোটা স্পষ্ট চিত্ৰ ইয়াত সৃষ্টি কৰিবলৈ সক্ষম হৈছে। এটা উদাহৰণ চোৱা হওক— "আজি উৰুকা। গাঁৱৰ ডেকাহঁতে মেজি-খৰি কাটি দ'ম বান্ধি থৈছে। আজি মেজি সাজিব। কাইলৈ পুৱঁতিনিশা জুই লগাই ফুৱাব। সকলো ডেকাই উখল-মাখল লগাই ওখ ওখ চাই কলগছ গোটাইছে।ৰাতি ভোজ খোৱাৰ দিহা কৰিছে। ডাঙৰ ডাঙৰকৈ দুই-তিনিখনকৈ ৰভা দিছে। কিছুমান ডেকা মাছ মাৰি আনিবলৈ গৈছে। কিছুমানে গাঁৱৰ পৰা চাউল তুলিছে। কেইজনমানে বজাৰ কৰিবলৈ গৈছে। যেনিয়ে যোৱা দেখিবা ডেকাহঁতৰ উখল-মাখল। গাঁৱৰ জীয়াৰী-বোৱাৰী সকলোৱে পিঠা খুন্দাৰ উখল-মাখল লগাইছে। যি দুই-এঘৰৰ ধান দাবলৈ আছে, আনে সৈতে লাগি ধান চপাইছে।যেনিয়ে যোৱা সেইপিনেই খালি শুনিবা ঢেঁকীৰ মাত।"

এই উদাহৰণটোৰ বৰ্ণনাই মাঘ বিহুৰ উৰুকাৰ গাঁৱৰ এখন আনন্দভৰা ব্যস্ততামুখৰ ছবি দৃশ্যৰ দৰে তুলি ধৰিছে।নেওগৰ সৃষ্টিশীল ৰচনাত পৰিৱেশৰ বৰ্ণনাৰীতিৰ এনে দক্ষতা অনেক দেখা পোৱা যায়।

নেওগৰ সমালোচনামূলক গদ্যৰ প্ৰকাশভঙ্গীৰ এটা চকুত লগা বৈশিষ্ট্য হ'ল উদ্ধৃতিৰ প্ৰচুৰ ব্যৱহাৰ।বিষয়ভেদে পুৰণি সাহিত্যৰ উদ্ধৃতি বা বিদেশী সাহিত্যৰ উদ্ধৃতিক কেতিয়াবা নিজৰ মতৰ প্ৰতিষ্ঠাৰ বাবে, কেতিয়াবা বক্তব্যক অধিক শক্তিশালী কৰিবৰ বাবে তেওঁ সঘনাই প্ৰয়োগ কৰিছে। *আধুনিক অসমীয়া সাহিত্য, পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, শ্ৰীশ্ৰীশঙ্কৰদেৱ*আদি পুথিৰ লিখাসমূহৰ কথা এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি। ভালেমান লিখাত আকৌ আৰম্ভণিতেই এটা উদ্ধৃতি দি তাৰে জেৰ টানি বিষয়লৈ গতি কৰিছে। আনহাতে, *স্নেহৰ অৰুণাচল, নিকা অসমীয়া ভাষা, অসমৰ জনজাতি* আদি ৰচনাৰ গদ্য সম্পূৰ্ণভাৱে বস্তুনিষ্ঠ আৰু বৰ্ণনাত্মক।এইবোৰৰ প্ৰকাশভঙ্গীত লেখকে আড়ম্বৰপূৰ্ণ কলা-কৌশলৰ পৰিৱৰ্তে পোনপটীয়া ৰীতিৰে আগবাঢ়িছে। কেতিয়াবা আকৌ নেওগৰ প্ৰকাশভঙ্গীত ব্যঙ্গাত্মক ৰীতিৰো তেওঁ প্ৰয়োগ কৰিছে। তদুপৰি শঙ্কৰদেৱৰ সাহিত্যৰ প্ৰসঙ্গ সুযোগ পালেই ব্যৱহাৰ কৰাটো তেওঁৰ গদ্যৰ এক বৈশিষ্ট্য। শিশুসাহিত্য, গল্প, চিন্তামূলক প্ৰবন্ধ, আত্মজীৱনী সকলোতে এই ৰীতি বিৰাজমান।

মহেশ্বৰ নেওগৰ গদ্য শক্তিশালী আৰু বৈচিত্ৰ্যপূৰ্ণ। কিন্তু দোষ-দুৰ্বলতাৰ ঊৰ্ধত নহয়। কেতিয়াবা তেওঁ প্ৰয়োজন নথকাকৈয়ে গদ্যত ইংৰাজী শব্দক ঠাই দিছে। কোনো সময়ত আকৌ বাক্যয়ো ভাবৰ ভৰত উজুটি খাইছে। কিন্তু প্ৰাচ্য-পাশ্চাত্যৰ সমালোচনা তত্ত্ব, ভাষা-সংস্কৃতি, ধ্ৰুপদী সাহিত্য, লোক-সাহিত্য, আধুনিক সাহিত্য, শাস্ত্ৰীয় পৰিৱেশ্য কলা, পাঠসমীক্ষা আদি অনেক বিষয়ৰে গৱেষক নেওগৰ গদ্যৰ এটা নিজস্ব পৰিচয় আৰু স্থান আছে। নেওগৰ গদ্যৰো প্ৰকৃত পৰিচয় এয়াই। তেওঁৰ গদ্যত প্ৰধানকৈ অসমীয়া জতুৱা ৰীতি আৰু গুৰুগম্ভীৰ ওজস্বী ৰীতি —এই দুটা ধাৰা সৰল আৰু স্পষ্ট। ইয়াৰে দ্বিতীয়টো কেতিয়াবা যদি ইংৰাজী প্ৰভাৱযুক্ত, কেতিয়াবা আকৌ ধ্ৰুপদী গঢ়ৰ। কিন্তু গুৰুত্বপূৰ্ণ কথাটো হ'ল নেওগৰ গদ্য মাত্ৰেই সি তেওঁৰ ব্যক্তিত্বৰ দৰেই সবল আৰু ঐশ্বৰ্যশালী। গভীৰ অধ্যয়ন আৰু স্পষ্ট মত বা চিন্তাৰ প্ৰভাৱ তেওঁৰ গদ্যত বিৰাজমান।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ মহেশ্বৰ নেওগৰ গদ্যৰ শব্দ আৰু বাক্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)



১৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মহেশ্বৰ নেওগৰ শিক্ষা, বিশাল পাণ্ডিত্য, গৱেষণা,অধ্যয়ন আদিৰ বিস্তৃত আলোচনা প্ৰবন্ধটোত আগবঢ়োৱা হৈছে।
- নেওগৰ সাহিত্য চৰ্চাৰ বিচিত্ৰ আৰু বিশাল ক্ষেত্ৰখনৰ বিষয়ে আলোচনা কৰা হৈছে।

- মায়ামৰীয়া সম্প্রদায়ৰ পৰিচয় আৰু নামকৰণৰ আলোচনা অধ্যায়টোত কৰা হৈছে। তদুপৰি এই সম্প্রদায়টো সম্পর্কে বিভিন্নজন বৃটিছ চাহাবকে ধৰি মণিৰাম দেৱান, সূর্যকুমাৰ ভূঞা আদিয়ে কৰা বিভিন্ন মন্তব্য ইয়াত সন্নিৰিষ্ট আছে।
- অবিবেচক শাসকে কৰা মায়ামৰীয়া নিগ্রহৰ বিষয়ে অধ্যায়টোত আলোচনা কৰা হৈছে।
- অসমৰ ইতিহাসৰ এটা গুৰুত্বপূর্ণ ঘটনা মায়ামৰীয়া বিদ্রোহৰ পটভূমি,কাৰণ আৰু ইয়াৰ ফলাফলৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে।
- মহেশ্বৰ নেওগৰ গদ্যৰ শব্দ, বাক্য আদিৰ বৈশিষ্ট্যসমূহৰ বিশদ আলোচনা কৰা হৈছে।



১৩.৭ অধিক জানিবলৈ

১) গোস্বামী, প্রকাশ (সম্পা.) ঃ *অসম সাহিত্য সভা পত্রিকা*; জানুৱাৰী, অসম সাহিত্য সভা, ১৯৯৬-৯৭ চন।

২) ডেকা, উমেশ (সম্পা.) ঃ *অসম সাহিত্য সভা পত্রিকা*, এপ্রিল, মে'-জুন, অসম সাহিত্য সভা, ২০১৫ চন।

৩) দাস, শোণিত বিজয় আৰু বায়ন মুনীন (সম্পা.) (২০০৬) ঃ *কথা বৰেণ্য*; গুৱাহাটী ঃ কথা প্রকাশন।

৪) শইকীয়া, নগেন (সঙ্ক.) (২০০৭) ঃ *মহেশ্বৰ নেওগ ৰচনাৱলী*, (তৃতীয় খণ্ড); মহেশ্বৰ নেওগ স্মাৰক ন্যাস।

১৩.৮ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ মহেশ্বৰ নেওগৰ সাহিত্য পুথিসমূহৰ পৰিচয় আৰু আলোচনা লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ মায়ামৰীয়া আৰু মোৱামৰীয়া দুয়োটা নামৰ সম্পর্কে থকা বিভিন্ন মতামতসমূহ লিখিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ মায়ামৰীয়াসকল প্রথমে অবিবেচক আহোম ৰজা আৰু বিষয়ববীয়াৰ উপর্যুপৰি অত্যাচাৰ অসন্মানৰ সন্মুখীন হ'ব লগা হৈছিল। মায়ামৰীয়া নিধন লীলা চলিছিল।এইবোৰ ঘটনাত মায়ামৰীয়াসকলে বিপুল সংখ্যক আপোন মানুহ হেৰুৱাইছিল। আকৌ ইয়াৰ প্রতিশোধ ল'বলৈ গৈ নিজে কৰা বিদ্রোহতো তেজৰে লীলা-খেলা চলিল। মায়ামৰীয়া বিদ্রোহৰ কাৰণ আৰু ইয়াৰ লগত জড়িত এই কথাসমূহ লিখিব লাগিব ।

৪নং প্রশ্নৰ উত্তৰ ঃ মায়ামৰীয়াসকলে সংঘবদ্ধ হৈ তেওঁলোকৰ গুৰু-ভকতৰ ওপৰত হোৱা অত্যাচাৰ নিপীড়ণৰ প্রতিশোধ ল'বলৈ যি বিদ্রোহ কৰিছিল সেই বিষয়ে উল্লেখ... ...মায়ামৰীয়াৰ দ্বাৰা হোৱা প্রথম বিদ্রোহৰ আলোচনা... ...দ্বিতীয় পর্যায়ৰ আক্রমণৰ আলোচনা....তৃতীয় অর্থাৎ শেষৰটো আক্রমণৰ বর্ণনা।

৫নং প্ৰশ্নৰ উত্তৰ ঃ মহেশ্বৰ নেওগৰ শব্দ প্ৰয়োগৰীতিৰ আলোচনা... ...বাক্য ব্যৱহাৰৰ বৈশিষ্ট্যৰ উদাহৰণসহ আলোচনা... ...অলঙ্কাৰ আৰু প্ৰকাশভঙ্গীৰ কৌশলসমূহ উল্লেখ।



১৩.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মটক আৰু মৰাণ বুলিলে কাক বুজোৱা হয় আলোচনা কৰক।

প্ৰশ্ন ২ ঃ মায়ামৰীয়াসকলৰ ধৰ্মনিষ্ঠা সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ বৃটিছ শাসনৰ আগলৈকে মায়ামৰীয়াসকলৰ ইতিহাস সম্পৰ্কে বৃটিছ চাহাবসকলে কি কি লিখিছিল আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ মায়ামৰীয়া বিদ্ৰোহ বুলিলে কি বুজা যায়। এই বিদ্ৰোহৰ কাৰণ কি ?

প্ৰশ্ন ৫ ঃ "মায়ামৰীয়া বিদ্ৰোহ অসমৰ এক ঘৰুৱা কন্দল। নিজৰ মাজতে হোৱা দলা-দলি।"— কথাষাৰ বিশ্লেষণ কৰক।

প্ৰশ্ন ৬ ঃ মায়ামৰীয়া বিদ্ৰোহৰ ফলাফল কি হ'ল আলোচনা কৰক।

*** **** ***